সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ২৬ সংখ্যা, ১৫ আহাৰ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.26 Date Of Publication - 30 June 2024 Rs.10.00/-

## সুদীৰ্ঘ প্ৰতীক্ষাৰ অন্তত আমি বিশ্ববিজয়ী




ৰঙিলী বাৰ্ত্তাসেৱা- সুদীৰ্ঘ প্ৰতীক্ষাৰ অন্তত ৱেষ্ট ইণ্ডিজৰ বাৰ্বাডোজৰ কেনছিংটন অ'ভেলত দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি টি-২০ বিশ্বকাপৰ খিতাপ দখল কৰিলে ভাৰতে। ১৭ বছৰৰ পিছত টি-২০ বিশ্বকাপৰ খিতাপ দখল কৰিলে টীম ইণ্ডিয়াই। ২০০৭ চনত মহেন্দ্ৰ সিং ধোনীৰ নেতৃত্বত টীম ইণ্ডিয়াই জয় কৰিছিল প্ৰথম টি-২০ বিশ্বকাপ ক্ৰিকেট। ৰোহিত শৰ্মাৰ নেতৃত্বত টি-২০ বিশ্বকাপত পুনৰ চেম্পিয়ন হ'ল ভাৰতীয় দলটো। বাৰ্বাডোজৰ কেনছিংটন অ'ভেলত অনুষ্ঠিত ফাইনেল মেচখনত ভাৰতে দক্ষিণ আফ্ৰিকাক ৭ ৰানত পৰাস্ত কৰে। খিতাপ যুঁজৰ মেচখনত জিৰোৰ পৰা হিৰোলৈ পৰ্যবসিত হয় বিৰাট কোহলি। প্ৰতিযোগিতাখনত ধাৰাবাহিক ব্যৰ্থতাৰ অন্তত এক দায়িত্বশীল বেটিঙেৰে ভাৰতীয় দলটোক চেম্পিয়ন কৰোৱাত গুৰুদায়িত্ব লয় কোহলিয়ে। কোহলিৰ লগতে ভাৰতীয় দলটোৰ এই বিশ্বজয়ত অগ্ৰণী ভূমিকা পালন কৰে দলৰ নিৰ্ভৰযোগ্য অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াৰ লগতে অক্ষৰ পেটেলেও। ইফালে ইতিহাস ৰচিও স্বপ্ন পূৰণত ব্যৰ্থ হ'ল দক্ষিণ আফ্ৰিকা। ফাইনেল মেচখনৰ প্ৰতিটো অভাৰতে নাটকৰ দৰে সলনি হৈছিল দৃশ্যপট। ভাৰতীয় দলটোৱে জয়ৰ বাবে বান্ধি দিয়া ১৭৭ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি প্ৰটিয়াছ বাহিনীয়ে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬৯ ৰান সংগ্ৰহ কৰে। প্ৰথম অৱস্থাত মেচখন ভাৰতৰ পক্ষত আছিল যদিও কুইন্টন ডি ক'ক আৰু হেনৰিচ ক্লাছেনে মাৰমুখি বেটিঙেৰে দলটোক জয়ৰ মুখলৈ লৈ গৈছিল। কিন্তু অশদ্বীপ সিঙে ডি ক'কক আৰু পাণ্ডিয়াই ক্লাছেনক আউট কৰি দলটোৰ পৰা জয় কাঢ়ি আনে। ক্লাছেনে ২৭টা বলত ৫২ ৰান কৰাৰ বিপৰীতে ডি ক'কে ৩৯ ৰানৰ অৱদান আগবঢ়ায়। ইফালে ডেভিদ মিলাৰে দলটোক পুনৰ জয়ৰ মুখলৈ নিছিল যদিও ব্যক্তিগত ২১ ৰানত আউট হোৱাৰ লগে লগে প্ৰটিয়াজ বাহিনীৰ বিশ্বজয়ৰ স্বপ্ন ধূলিসাৎ হয়। অ'পেনাৰ হেনড্ৰিকছ আৰু

(দহ পৃষ্ঠাত চাওক)

## গুৱাহাটী বিশ্ববিদ্যালয় মাৰ্কশ্বীট কেলেংকাৰীৰ সৈতে জড়িত ৮জন লোকক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাৰ্কশীট কেলেংকাৰিৰ তদন্ত ক্ষিপ্ৰগতিৰে আগুৱাই নিছে চিআইডি-বৰপেটা আৰক্ষীয়ে। স্নাতক-স্নাতকোত্তৰ পৰীক্ষাৰ কোনো বিষয়ৰ 'বেক' ক্লীয়েৰ কৰাৰ নামত কোটি কোটি টকা সংগ্ৰহ কৰি শিক্ষা ব্যৱস্থাটোক বজাৰলৈ পৰ্যবসিত কৰা এই কেলেংকাৰিটোৰ মাষ্টাৰমাইণ্ড বিহাৰৰ কৃষ্ণানন কৃষ্ণমূৰ্তিসহ ৮ জনক অনুসন্ধানকাৰী দলে বৰ্তমান পৰ্যন্ত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। বিহাৰৰ বাসিন্দা তথা গুৱাহাটী বিশ্ববিদ্যালয় আৰু ইয়াৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ ছাত্ৰীৰ তথ্য, মাৰ্কশীট আদি ইণ্টিগ্ৰেটেড ইউনিভাছিটী মেনেজমেণ্ট ছিষ্টেম (আই ইউ এম এছ) ৰ জৰিয়তে অনলাইনত আপলোড কৰাৰ দায়িত্বত থকা 'এক্সপেণ্ডিচাৰ-ই-ছল্যুচন' নামৰ সংস্থাটোৰ কৰ্মচাৰী কৃষণানন কৃষণমূৰ্তিক যোৱা ২৬ জুনত গ্ৰেপ্তাৰ কৰিছিল। বিয়াগোম কেলেংকাৰিটোৰ মাষ্টাৰমাইণ্ডজনে জেৰাকালত দিয়া স্বীকাৰোক্তিৰ ভিত্তিত চি আই ডি- বৰপেটা আৰক্ষীয়ে ধুবুৰী আইন মহাবিদ্যালয়ৰ কম্পিউটাৰ সহায়ক শিৱতোষ মাহাতোক জালত পেলায়। অনুৰূপ ধৰণে গ্ৰেপ্তাৰ কৰিছে বৰপেটা জিলাৰ কলগাছিয়াৰ ইছমাইল হোছেইন, কলগাছিয়া আমগুৰিৰ আলোমগীৰ খান, কলগাছিয়া বৰদণ্ডা গাঁৱৰ মইনুল হক, কলগাছিয়া লাংলা গাঁৱৰ আবুল বাচেৰ, লাংলা মহাবিদ্যালয়ৰ লাইব্ৰেৰিয়ান অমিনুল ইছলাম আৰু নগাঁও জিলাৰ কচুৱাৰ হামেজ উদ্দিনক। সমগ্ৰ বিষয়টো সন্দৰ্ভত ভাৰতীয় দণ্ডবিধিৰ ৪৬৮/১২০/৪৬৭/ ৪৭/ ৪২০ নং ধাৰাত ৭৪/ ২০২৪ নম্বৰৰ এটা গোচৰ ৰুজু কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত বৰপেটা আৰক্ষীয়ে চিআইডিৰ সৈতে যুটীয়াভাৱে তদন্ত অব্যাহত ৰাখিছে। লক্ষণীয়ভাৱে ৰাজ্যৰ শৈক্ষিক-বৌদ্ধিক জগতখনক

(দহ পৃষ্ঠাত চাওক)

## নীট কেলেংকাৰিঃ ঝাৰখণ্ড বিদ্যালয়ৰ অধ্যক্ষ-উপাধ্যক্ষক গ্ৰেপ্তাৰ চিবিআইৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নীট- ইউজি ২০২৪ৰ প্ৰশ্নকাকত ফাদিল কেলেংকাৰিৰ তদন্ত ক্ষিপ্ৰতৰ কৰি তুলিছে চিবিআয়ে। ঝাৰখণ্ডৰ হাজাৰিবাগৰ ৰেচিছ স্কুলৰ অধ্যক্ষ আৰু উপাধ্যক্ষক গ্ৰেপ্তাৰ কৰাৰ পিছত চিবিআয়ে এই কেলেংকাৰিত জড়িত থকাৰ অভিযোগত হাজাৰিবাগৰ পৰা এজন সাংবাদিকক গ্ৰেপ্তাৰ কৰিছে। জামালুদ্দিন নামৰ সাংবাদিকজন নীটৰ প্ৰশ্নকাকত ফাদিলৰ সৈতে জড়িত থকাৰ তথ্য লাভ কৰাৰ পিছতে চিবিআয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছে। ইপিনে ঝাৰখণ্ডত অভিযান চলাই কেইবাজনক গ্ৰেপ্তাৰ কৰা চিবিআইৰ এটা দলে গুজৰাটৰ কেইবাটাও স্থানত অভিযান চলাই আছে। ৰাজ্যখনৰ গোধ্ৰা, খেড়া, আনন্দ আৰু আহমেদাবাদকে ধৰি সাত স্থানত

(দহ পৃষ্ঠাত চাওক)

# ৬ খন জিলাৰ বাণিজ্য আৰু ব্যৱসায়ী সন্থাৰে বৈঠক মন্ত্ৰী অশোক সিংহল আৰু বিত্তমন্ত্ৰী অজন্তা নেওগৰ




ৰঙিলী বাৰ্তাসেৱা- যোৱা ১৯ জুনত অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ সিদ্ধান্ত কাৰ্যকৰীকৰণৰ অৰ্থে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল আৰু বিত্তমন্ত্ৰী অজন্তা নেওগে বঙাইগাঁৱৰ অসম আৰক্ষী অভিবৰ্তন কেন্দ্ৰত সামগ্ৰী আৰু সেৱা কৰ (জিএছটি) বিষয়ত নামনি অসমৰ ছখন জিলাৰ বাণিজ্য আৰু ব্যৱসায়িক সংস্থাসমূহৰ সৈতে এক বাৰ্তালাপত অংশগ্ৰহণ কৰে। ৰাজ্যৰ কেইবাটাও স্থানত অনুষ্ঠিত হ'বলগীয়া আঞ্চলিক পৰামৰ্শমূলক আলোচনাৰ এয়া আছিল দ্বিতীয়খন বৈঠক। অনুষ্ঠানত জিএছটিৰ অধীনত প্ৰদান কৰা জাননী সন্দৰ্ভত ব্যৱসায়ীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰা হয়। নিজৰ বক্তব্যত মন্ত্ৰী সিংহলে কয় যে দেশৰ ব্যৱসায়ী সমাজৰ লাভালাভৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জিএছটি প্ৰৱৰ্তন কৰা হৈছিল। অসমক দেশৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ এখন হিচাপে গঢ় দিবলৈ হ'লে ব্যৱসায়ীসকলক লগত লৈ আগবাঢ়িবই লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ তৎপৰতাত তৃণমূল স্তৰলৈ গৈ ব্যৱসায়-বাণিজ্য সংস্থাসমূহৰ সৈতে কেবিনেট পৰ্যায়ৰ আলোচনাৰ পদক্ষেপ গ্ৰহণ কৰা অসমেই হৈছে দেশৰ প্ৰথমখন ৰাজ্য। আমাৰ পৰোক্ষ কৰ প্ৰণালীক অধিক সুশৃংখল কৰাৰ ক্ষেত্ৰত ব্যৱসায়ী সমাজৰ পৰামৰ্শ আৰু মতামত অতিকৈ গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰি তেওঁ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা অমূল্য অৱদানৰ বাবে অংশগ্ৰহণকাৰী জিলাকেইখনৰ ব্যৱসায়ী সমাজৰ অৰিহণাৰ শলাগ লয়। উল্লেখযোগ্য যে জিএছটিৰ অধীনত প্ৰদান কৰা জাননী সন্দৰ্ভত ব্যৱসায়ীসকলৰ আশংকা দূৰ কৰিবলৈ তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, তেজপুৰ আৰু শিলচৰত পৰৱৰ্তী আলোচনা অনুষ্ঠিত কৰি এমাহৰ ভিতৰত মন্ত্ৰীদ্বয়ে প্ৰতিবেদন দাখিল কৰিব। উক্ত বৈঠকত ৰাজ্যিক মুখ্য কৰ আয়ুক্ত পল্লৱ গোপাল ঝা, বিশেষ কৰ আয়ুক্ত মহম্মদ শাকিল ছাদুল্লাৰ লগতে নামনি অসমৰ ছখন জিলা ক্ৰমে নলবাৰী, বৰপেটা, বঙাইগাঁও, কোকৰাঝাৰ, গোৱালপাৰা আৰু ধুবুৰীৰ বাণিজ্য আৰু ব্যৱসায়িক সংস্থাসমূহৰ প্ৰতিনিধিবৰ্গই অংশগ্ৰহণ কৰে।

# ডিব্ৰুগড়ৰ ছাত্ৰ ধৃতিষ্মান দত্তই সমগ্ৰ দেশৰ ভিতৰতে চতুৰ্থ স্থান দখল কৰি ডিব্ৰুগড়লৈ গৌৰৱ কঢ়িয়ায়



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰৰ আগশাৰীৰ শিক্ষানুষ্ঠান চল্টব্ৰক অকাডেমীৰ ছাত্ৰ ধৃতিষ্মান দত্তই সমগ্ৰ দেশৰ ভিতৰতে চতুৰ্থ স্থান দখল কৰি ডিব্ৰুগড়ৰ লগতে অসমলৈ গৌৰৱ কঢ়িয়াই আনে। ২০২৪ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাতো ডিব্ৰুগড়ৰ চল্টব্ৰক একাডেমীৰ পৰা বিজ্ঞান শাখাত ৯৪.২% নম্বৰেৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ধৃতিষ্মান দত্তই পুনৰবাৰ শিক্ষানুষ্ঠানখনৰ লগতে সমগ্ৰ অসমবাসীলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ৯ জুনত অনুষ্ঠিত IAT( IISER Apitude Test) ২০২৪ পৰীক্ষাত অৱতীৰ্ণ হৈ ধৃতিষ্মানে সমগ্ৰ দেশৰ ভিতৰত চতুৰ্থ স্থান দখল কৰি বেংগালুৰুস্থ বিশ্ব প্ৰসিদ্ধ শিক্ষানুষ্ঠান IISC ত অধ্যয়নৰ সুযোগ লাভ কৰিছে। ইয়াৰ পূৰ্বেও এইবৰ্ষৰ JEE-Mains আৰু JEE-ADVANCED, পৰীক্ষাটো তেওঁ উজনি অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পোৱাৰ উপৰিও NEET পৰীক্ষাটো সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। ইফলে IIT কানপুৰ আদিকে কৰি বহু কেইটা প্ৰতিষ্ঠানত সুবিধা পাইছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাতো ৰাজ্যৰ ভিতৰত নৱম স্থান লাভ কৰা ধৃতিষ্মান বিশিষ্ট চিকিৎসক ডঃ ৰাজীৱ দত্ত আৰু লাহোৱাল পলিটেকনিকৰ অধ্যাপিকা ডঃ তুলিকা তামুলী দত্তৰ জ্যেষ্ঠ পুত্ৰ।ধৃতিষ্মানৰ এই বিৰল কৃতিত্বত চল্টব্ৰক একাডেমীৰ সঞ্চালক অশ্বিনী দুৱৰা, অধ্যক্ষ ৰঞ্জিত বৰুৱা আৰু সমূহ শিক্ষক- শিক্ষয়িত্ৰীবৃন্দ উৎফুল্লিত হোৱাৰ লগতে ছাত্ৰজনক অভিনন্দন আৰু শুভাশিস জ্ঞাপন কৰিছে।

# কেজৰিৱালৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত মহানগৰীত আপৰ বিক্ষোভ



ৰঙিলী বাৰ্তাসেৱা- সমগ্ৰ দেশৰ লগতে গুৱাহাটীতো আম আদমী পাৰ্টিয়ে কেজৰিৱালৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালক দিল্লী চৰকাৰৰ আবকাৰী নীতি সন্দৰ্ভত অনিয়ম সংঘটিত কৰাৰ অভিযোগ আৰু অবৈধভাৱে ধনৰ সৰবৰাহ কৰাৰ ভুৱা গোচৰত ইডি আৰু চিবিআইৰ জৰিয়তে গ্ৰেপ্তাৰ কৰি কাৰাগাৰত আবদ্ধ কৰি ৰখাৰ বিৰুদ্ধে আম আদমী পাৰ্টিয়ে প্ৰতিবাদ সাব্যস্ত কৰে। গুৱাহাটীৰ বশিষ্ঠস্থিত প্ৰদেশ বিজেপিৰ কাৰ্যালয় বাজপেয়ী ভৱনৰ সন্মুখত আপৰ বহুসংখ্যক নেতা তথা স্বেচ্ছাসেৱকে বিক্ষোভ প্ৰদৰ্শন কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি আপৰ ৰাজ্যিক আহ্বায়ক ডাঃ ভবেন চৌধুৰীয়ে কয়- " কোনো তথ্য প্ৰমাণ অবিহনে এটা ভুৱা গোচৰত আমাৰ দলৰ নেতা তথা দিল্লীৰ মুখ্যমন্ত্ৰীক কাৰাবন্দী কৰি ৰাখিছে। বিজেপিয়ে দলৰ ৰাজনৈতিক হাথিয়াৰ হিচাপে ইডি আৰু চিবিআইক ব্যৱহাৰ কৰিছে। শাসক দলে ইডি চিবিআইৰ জৰিয়তে বিৰোধী শক্তিৰ কণ্ঠ ৰোধ কৰাৰ অপচেষ্টাত লিপ্ত হৈছে। আমি ইয়াৰ বিৰুদ্ধে আজি দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰিছোঁ।" বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰা আপৰ প্ৰতিবাদকাৰী সকলক আৰক্ষীয়ে বাধা দিয়াৰ মাজতে বহুসংখ্যক আপৰ কৰ্মীয়ে 'কেজৰিৱালক মুক্তি দিয়ক', 'মোদী চৰকাৰৰ

(দহ পৃষ্ঠাত চাওক)

# উত্তৰ পূৰ্বাঞ্চলৰ জলপথৰ বুজ লয় কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীস্থিত উত্তৰ-পূব সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰ আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে পৰিদৰ্শন কৰি সংশ্লিষ্ট বিষয়াসকল তথা ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ, অসম প্ৰান্তৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। উত্তৰ-পূব অঞ্চলৰ যুৱপ্ৰজন্মই যাতে সুপ্ৰশিক্ষণৰ জৰিয়তে সামুদ্ৰিক খণ্ডত পাৰদৰ্শিতা দাঙি ধৰিব পাৰে, তাৰ বাবে যাৱতীয় ব্যৱস্থা ত্বৰান্বিত কৰিবলৈ বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়ে। তদুপৰি, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ খণ্ডৰ শেহতীয়া বিভিন্ন কাম-কাজৰ অগ্ৰগতিৰো তেওঁ বুজ লয়।

# বিজেপিৰ কাৰ্যকৰ্তাক জনতাৰ মাজলৈ গৈ জনসম্পৰ্ক কৰিবলৈ মতপোষন মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্তাসেৱা- ৰাঁচীত অৱস্থিত ঝাৰখণ্ডৰ বিজেপি ৰাজ্যিক কাৰ্যালয়ত ৰাজ্যিক সভাপতি বাবুলাল মাৰাণ্ডীৰ অধ্যক্ষতাত আৰু অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বিভিন্ন নিৰ্বাচনী আঁচনি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত অসমৰ মুখ্যমন্ত্ৰীয়ে আগন্তুক ঝাৰখণ্ডৰ নিৰ্বাচনত বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিবলৈ সকলো প্ৰকাৰৰ পদক্ষেপ লোৱাৰ কথা অৱগত কৰে আৰু মুখ্যমন্ত্ৰীয়ে প্ৰতিজন বিজেপি কাৰ্যকৰ্তাক জনতাৰ মাজলৈ গৈ জনসম্পৰ্ক কৰিবলৈ মতপোষণ কৰে।

# বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসালয় মুখ্যমন্ত্ৰীয়ে পৰিদৰ্শন



ৰঙিলী বাৰ্ত্তাসেৱা- বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শনৰ সময়ত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্মীয়মাণ মহিলা আৰু শিশু ব্লকৰ কামৰ অগ্ৰগতিৰ বুজ লয়। ১০০ বিচনাযুক্ত মহিলা আৰু শিশু ব্লকটোৰ সেৱা অহা আগষ্ট মাহত আৰম্ভ হ'ব। ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ে জিলা প্ৰশাসনৰ সহযোগত চিকিৎসা মহাবিদ্যালয়খনৰ পৰা নৱজাতকক লৈ পিতৃ-মাতৃয়ে ঘৰলৈ ওভতি যোৱাৰ সময়তে জন্মৰ প্ৰমাণপত্ৰৰ লগতে আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা কৰিছে। আজি এই সময়ছোৱাত মাননীয় মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰি ৬জন অভিভাৱকক তেওঁলোকৰ সন্তানৰ জন্মৰ প্ৰমানপত্ৰ আৰু আধাৰ কাৰ্ড প্ৰদান কৰে ।

# অসম গণ পৰিষদৰ যুৱ পৰিষদৰ কাৰ্যনিৰ্বাহক সভা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম গণ পৰিষদৰ আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত অসম গণ পৰিষদৰ যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। উক্ত সভাত দলৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাধাৰণ সম্পাদক মনোজ শইকীয়া, সম্পাদক সুনীল ডেকা, যুৱ পৰিষদৰ সভাপতি জিতু বৰগোহাঁই, ডাঃ তপন দাস, অপূৰ্ব কুমাৰ ভট্টাচাৰ্য লগতে দলৰ প্ৰায় ১০০ ৰো অধিক জন মান কৰ্মকৰ্তা উপস্থিত থাকে। উক্ত সভাত পোন প্ৰথমে শপত বাক্য পাঠ কৰে সভাপতি অতুল বৰাই। আগন্তুক বিধান সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি যুৱ পৰিষদক নতুন ৰণনীতি তৈয়াৰ কৰি অধিক শক্তিশালী কৰাৰ বাবেই এই নিৰ্বাচনত লৈ যোৱা খুটি নাতি বোৰ বিতংভাৱে আলোচনা কৰাৰ উপৰি গ্ৰাম্য অঞ্চলত অধিক তৎপৰতাৰে, পাৰিলে সপ্তাহত এখনকৈ হ'লেও সভা পাতি প্ৰাথমিক ভেটি টনকিয়াল কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰতিখন পঞ্চায়তে পঞ্চায়তে যুৱ পৰিষদে ৰাইজক লগ কৰি তেওঁলোকৰ সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত সহায় সহযোগিতা কৰাৰ পোষকতা কৰে। বিশেষকৈ আগন্তুক ৫ টা বিধান সভা উপ নিৰ্বাচনৰ বাবে বেছি গুৰুত্ব আৰোপ কৰে।

# গোলঘাট প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তীৰ শুভাৰম্ভণি



ৰঙিলী বাৰ্ত্তাসেৱা- গোলাঘাট প্ৰেছ ক্লাবৰ পতাকাৰ তলত বিপুল সমাবেশত অভুতপূৰ্ব পৰিৱেশত যোৱা ২৩ জুন ২০২৪, তাৰিখ দেওবাৰে একেখন মঞ্চত সমবেত হ'ল গোলাঘাট জিলাৰ প্ৰতিটো প্ৰান্তৰ সাংবাদিক, লেখক, কবি আৰু সচেতন নাগৰিক। গোলাঘাট প্ৰেছ ক্লাবৰ গৌৰৱময় ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠান, বিশেষ অধিৱেশন আৰু বঁটা প্ৰদান অনুষ্ঠান উপলক্ষে দিনজোৱা বিস্তৃত কাৰ্যসূচীৰে গোলাঘাট প্ৰেছ ক্লাবৰ কাৰ্যালয়ত আয়োজিত প্ৰতিনিধি সভাত সকলো ধৰণৰ মতাদৰ্শৰ উৰ্দ্ধত অৱস্থান কৰি গোলাঘাট জিলাৰ বোকাখাত, কাজিৰঙা, দেৰগাঁও, মেৰাপানী, সৰুপথাৰ, বৰপথাৰ, খুমটাই আদিৰ জ্যেষ্ঠ সাংবাদিকসকলে অংশগ্ৰহণ কৰি গোলাঘাট জিলা ভিত্তিত পৰিসৰ বৃদ্ধি কৰি সৰ্বসন্মতি ক্ৰমে গঠন কৰে গোলাঘাট প্ৰেছ ক্লাবৰ ৰৰৰ জনীয়া বিশাল কাৰ্যনিৰ্বাহক সমিতি। আগন্তুক কাৰ্যকালৰ বিশিষ্ট লেখক, শিক্ষাবিদ দেৱজিৎ ফুকন সভাপতি, জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভুঞা কাৰ্যকৰী সভাপতি, সাংবাদিক প্ৰবীণ কুমাৰ দাস সাধাৰণ সম্পাদক হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হয়। সেইদৰে বোকাখাতৰ প্ৰবীণ সাংবাদিক ক্ৰমে জিতু শৰ্মা ৰাজখোৱা, বুবুল দত্ত, সৰুপথাৰৰ জ্যেষ্ঠ সাংবাদিক দ্বীপেন কুমাৰ বৰা, কাজিৰঙাৰ জ্যেষ্ঠ সাংবাদিক ৰঞ্জিত ৰজক, বৰপথাৰ প্ৰেছ ক্লাবৰ সম্পাদক বেদান্ত ভাৰ্গৱ, সম্পাদক অৱনি শৰ্মা, খুমটাইৰ জ্যেষ্ঠ সাংবাদিক বাবুল গগৈ, বিশিষ্ট শিক্ষাবিদ, লেখক গনেশ গোস্বামী, মেৰাপানীৰ জ্যেষ্ঠ সাংবাদিক নগেন বৰা, দুলাল দাস, বাবুল শইকীয়া, লেখক প্ৰিয়াংদ্বীপ কাকতি আদিক উপদেষ্টা, ঋতুপল্লৱ শইকীয়া আৰু নিবেদিতা বৰা বৰুৱাক আইন উপদেষ্টা, গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক ক্ৰমে দিগন্ত কুমাৰ বৰা, জয়দ্বীপ (দহ পৃষ্ঠাত চাওক)

# দৰঙত পথ সুৰক্ষা সমিতিৰ সভা



ৰঙিলী বাৰ্ত্তাসেৱা- দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেৰ সভাপতিত্বত তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা পথ সুৰক্ষা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত বাৰিষাৰ বতৰত জিলাখনৰ বিভিন্ন বাট-পথ ক্ষতিগ্ৰস্ত হোৱা আৰু এই সমূহৰ উপযুক্ত মেৰামতি প্ৰসংগই বিশেষ গুৰুত্ব লাভ কৰে। বাৰিষাৰ বৰষুণে জিলাখনৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে অন্যান্য পথসমূহত সৃষ্টি হোৱা গাঁতে বিপদৰ সম্ভাৱনীয়তা বৃদ্ধি কৰে। এনে গাঁতসমূহ পূৰ কৰাৰ বাবে জিলা আয়ুক্তই সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। সভাত ই-ৰিক্সাৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি হোৱা আৰু ই-ৰিক্সাৰ চালকসকলে সৃষ্টি কৰা সমস্যাৰ বিষয়েও বিস্তৃতভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰিও যাত্ৰী সৰবৰাহ কৰা সৰু গাড়ী য'তে-ত'তে পাৰ্কিং কৰা, মঙলদৈ চহৰৰ মাজত এনে বাহনসমূহে কৰ্তৃত্বহীন ভাৱে ঘূৰাঘূৰি কৰা আদি বিভিন্ন বিষয়ে আলোচনাত ঠাই পায়। এই সংক্ৰান্তত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে মঙলদৈ পৌৰসভা, জিলা আৰক্ষী, জিলা পৰিবহন আদি বিভাগসমূহক নিৰ্দেশ দিয়ে। (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড় জিলাত "মিছন অন্নস্থান"ৰ শুভাৰম্ভ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে চপ্ত জুনত জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত ৰূপায়ন কৰিবলগীয়া "মিছন অন্নস্থান"ৰ শুভাৰম্ভ কৰে। উল্লেখ্যযোগ্য যে, "মিছন অন্নস্থান"ৰ জৰিয়তে জিলাখনৰ ৰস্তুস্থ খন বিদ্যালয়ত ছাত্ৰ ছাত্ৰীসকলে মধ্যাহ্ন ভোজন গ্ৰহণ কৰিবৰ বাবে একোটাকৈ পৰিষ্কাৰ-পৰিচ্ছন্ন ডাইনিং হল নিৰ্মাণ কৰা হ'ব। জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত শুভাৰম্ভ কৰা "মিছন অন্নস্থান"ৰ অন্তৰ্নিহিত মূল উদ্দেশ্য সন্দৰ্ভত বিতং তথ্য সম্বলিত পাৱাৰপইন্ট প্ৰেজেণ্টেশ্যন আগবঞ্জায় ডিব্ৰুগড় জিলাৰ নিৰ্বাচনী বিষয়া প্ৰাঞ্জি ল গগৈয়ে। "মিছন অন্নস্থান"ৰ শুভাৰম্ভ কৰি জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কয় যে, বিদ্যালয়সমূহত ছাত্ৰ ছাত্ৰীসকলে মধ্যাহ্ন ভোজন গ্ৰহণ কৰিবলৈ সু-সজ্জিত তথা পৰিষ্কাৰ-পৰিচ্ছন্ন এডোখৰ স্থান থকাটো অতিকে জৰুৰী যাতে ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে চাফ-চিকুনতাৰ লগতে সমূহীয়াভাৱে ভোজন গ্ৰহণ কৰাৰ সময়ত পালন কৰিবলগীয়া আচাৰ-ব্যৱহাৰ সম্পৰ্কেওজ্ঞ ান আহৰণ কৰিব পাৰে। ডিব্ৰুগড় জিলাত প্ৰথম পৰ্যায়ত ৰস্তুস্থ খন বিদ্যালয়ত ডাইনিং হ'ল নিৰ্মাণ কৰা হ'ব আৰু পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে আন বিদ্যালয়সমূহতো ছাত্ৰ-ছাত্ৰীসকলে মধ্যাহ্ন ভোজন কৰিবৰ বাবে ডাইনিং হ'ল নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ব।

# ঢেকিয়াজুলিৰ কিশোৰী নিগ্ৰহৰ ঘটনাৰ বুজ ললে মন্ত্ৰী অশোক সিংহলে

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহলে নিজ সমষ্টি ঢেকিয়াজুলিৰ ভোট পাৰা পলাশবস্তিত উপস্থিত হৈ অঞ্চলটোত সংঘটিত কিশোৰী নিগ্ৰহৰ অনাকাংক্ষিত ঘটনাৰ বুজ লোৱাৰ লগতে ভুক্তভোগী কিশোৰীগৰাকীৰ পৰিয়ালক সাক্ষাৎ কৰে। ঘটনা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে তেজপুৰৰ আৰক্ষী অধীক্ষকৰ লগতে স্থানীয় বিভিন্ন দল-সংগঠনৰ সৈতে এক আলোচনাত মিলিত হয়। পিছত সাংবাদিকক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ঢেকিয়াজুলিত সংঘটিত এই ঘটনাই মানৱ সমাজক লজ্জানত কৰিছে। সামাজিক ব্যাধিস্বৰূপ এনে ঘটনাৰ পুনৰাবৃত্তি নোহোৱাৰ স্বাৰ্থত এনে দুষ্কৃতিকাৰীৰ বিৰুদ্ধে একগোট হবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। সমিলমিলেৰে বাস কৰি থকা ঢেকিয়াজুলিৰ সুন্দৰ সমাজখনে এনে অপশক্তিক উঘালি পেলাবলৈ সদায় ঐক্যবদ্ধ হৈ থাকিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ঘটনাৰ অভিযুক্তক আৰক্ষীয়ে ইতিমধ্যেই তৎপৰতাৰে কৰায়ত্ত কৰিছে বুলি জানিবলৈ দি মন্ত্ৰীগৰাকীয়ে কয় যে অতি সোনকালেই ঘটনাৰ তদন্ত সম্পূৰ্ণ কৰি কেছ ডায়েৰী দাখিল কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়া হৈছে। অভিযুক্তক আইন অনুসৰি কঠোৰতম তথা দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ মন্তব্য কৰে। সদ্যসমাপ্ত লোকসভা নিৰ্বাচনৰ পাছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সংঘটিত এনে কেইবাটাও ঘটনাত উদ্বেগ প্ৰকাশ কৰি তেওঁ



কয় যে চৰকাৰে এই দিশত বিশেষ দৃষ্টি ৰাখিছে আৰু অপৰাধীক কঠোৰ হাতেৰে দমন কৰাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। এনে অপশক্তিৰ বিৰুদ্ধে ৰাইজক সজাগ কৰিবলৈ প্ৰশাসনে সজাগতা অভিযান চলাব বুলি জানিবলৈ দি তেওঁ কয় যে প্ৰতিখন থানা, আৰক্ষী চকীত নাগৰিক সভাৰ আয়োজন কৰি ৰাইজৰ মতামত লোৱা হ'ব। স্পৰ্শকাতৰ অঞ্চলবোৰত আৰক্ষীৰ তহল বৃদ্ধি কৰাৰ বাবেও নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

# দৰঙত নিচাযুক্ত ঔষধ বিৰোধী আন্তঃৰাষ্ট্ৰীয় দিৱস পালন




ৰঙিলী বাৰ্তাসেৱা- জিলা সমাজ কল্যাণ বিভাগ, দৰঙৰ উদ্যোগত আৰু জিলা আইন সেৱা প্ৰাধিকাৰী, দৰঙৰ সহযোগত ২৬ জুনত নিচামুক্ত ভাৰত অভিযানৰ লগত সংগতি ৰাখি মঙলদৈ বামুণপাৰাস্থিত পুনৰজীৱন নিচামুক্তি কেন্দ্ৰত “নিচাযুক্ত ঔষধ (ড্ৰাগছ)ৰ ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী আন্তঃৰাষ্ট্ৰীয় দিৱস” পালন কৰা হয়। নিচামুক্তি কেন্দ্ৰৰ আৱাসী সকলৰ মাজত এটি স্বাস্থ্য সেৱা শিবিৰো অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে নিচাযুক্ত ড্ৰাগছৰ ব্যৱহাৰে সৃষ্টি কৰা সমস্যা আৰু ইয়াৰ ভয়াবহতা প্ৰতিৰোধৰ বাবে সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই সামাজিক ব্যাধি প্ৰতিৰোধৰ বাবে তেওঁ সংশ্লিষ্ট সকলোৰে সম্পূৰ্ণ সহযোগিতাৰে কাম কৰিব লাগিব বুলি মন্তব্য কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব শতাব্দী ভূঞাই ড্ৰাগছৰ ব্যৱহাৰে যুৱ প্ৰজন্মক বিপথগামী কৰে আৰু এখন সুস্থ সমাজ গঢ়িবৰ বাবে ড্ৰাগছ সেৱন আৰু সৰবৰাহ প্ৰতিৰোধ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানৰ পূৰ্বে আদৰণি ভাষণ প্ৰদান কৰে জিলা সমাজ কল্যাণ বিষয়া কোমেশ্বৰ বৰাই। অনুষ্ঠানত নিচা আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ, মঙলদৈৰ সহকাৰী সচিব অৰুণ বৰুৱা, দৰং জিলা আইন সেৱা প্ৰাধিকাৰীৰ মুখ্য আইনী সাহাৰ্য প্ৰতিৰক্ষী অধিবক্তা মৃদুল কুমাৰ শৰ্মা, শিশু উন্নয়ন সুৰক্ষা বিষয়া শীলা দাসৰ উপৰিও সমাজ কল্যাণ আৰু স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, নিচামুক্তি কেন্দ্ৰৰ আৱাসীসকল উপস্থিত থাকে।

# গুৱাহাটীত ড্ৰাগচৰ বিৰুদ্ধে সজাগতা সভা



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ উজান বজাৰস্থিত বিষ্ণু নিৰ্মলা ভৱনত আন্তঃৰাষ্ট্ৰীয় এইডচ দিৱসৰ লগত সংগতি ৰাখি অসম ৰাজ্যিক এইডছ কণ্ট্ৰল ছছাইটি তথা ডিষ্ট্ৰিক লিগেল চাৰ্ভিচ অথৰিটী, কামৰূপ মেট্ৰো আৰু টি আই এন জি ও ৰ সহযোগত এখন ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত কৰে। উক্ত সভাত সহকাৰী অধ্যক্ষ (ASACS) দিপশিখা তালুকদাৰ হালৈ, ডিষ্ট্ৰীক লীগেল চাৰ্ভিচ অথৰিটিৰ লিনা দলে, জিলা এইডছ কণ্ট্ৰল অফিচাৰ এম বি নাথ, ডিষ্ট্ৰিক প্ৰগ্ৰেম মেনেজাৰ (D P M -DISHA) মৃদুলা চহৰীয়া, টেকনিকেল অফিচাৰ (ASACS) পংকজ চৌধুৰী, জইন ডাইৰেক্টৰ হেলথ, (কামৰূপ মেট্ৰো) ডঃ শান্তিময়ী শৰ্মা, কৰ্মকৰ্তা আজমত উল্লাহ শেখ আৰু বিভিন্ন জিলাৰ ড্ৰাগছ আসক্ত যুৱক যুৱতীৰ অভিভাৱক সহ নিমন্ত্ৰণ কৰি অনা প্ৰায় ১২০ জন মান লোকৰ উপস্থিতিত ড্ৰাগছ সজাগতাৰ বিষয়ত বিশদভাৱে আলোচনা কৰাৰ লগতে বিভিন্ন বক্তাই ভাষণ প্ৰদান কৰাৰ উপৰিও এই বিষয়ত সক্ৰিয়ভাৱে কাম কৰি থকা কেইগৰাকীমান ব্যক্তিক সম্বৰ্ধনা জনায় আৰু ড্ৰাগছ সজাগতা বিষয়ত 'যোগদল তুৱা কৃষ্টি গ্ৰুপ', দীনেশ তালুকদাৰৰ নেতৃত্বত এখন সুন্দৰ নাটক পৰিৱেশন কৰাৰ লগতে কেইটিমান সঙ্গীত আৰু নৃত্য পৰিৱেশন কৰে।

# জ্ঞান সাগৰ ড° নগেন শইকীয়াক 'শান্তি দূত' বঁটা প্ৰদান

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ অন্যতম আন্তৰ্জাতিক খ্যাতিসম্পন্ন শিশু সাংস্কৃতিক অনুষ্ঠান 'মৌচাক'ৰ ৫৫ সংখ্যক জন্ম জয়ন্তী স্থানীয় বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডিব্ৰুগড়ৰ মাৰোৱাৰীপট্টিস্থিত হোটেল “ৰাজ পেলেচ” ত তিনিদিনীয়া কাৰ্য্যসূচীৰে উলহ মালহেৰে পালন কৰা হয়। ১৯৬৯ চনৰ ২৪ জুন তাৰিখে ডিব্ৰুগড়ৰে নাট্যকাৰ, লেখক, পৰিচালক, সাংস্কৃতিক কৰ্মী সঞ্জীৱ বৰদলৈৰ ঐকান্তিক প্ৰচেষ্টাত 'মৌচাক' প্ৰতিষ্ঠিত হৈছিল। এই জন্মজয়ন্তী অনুষ্ঠানৰ লগত সংগতি ৰাখি এক শান্তি সন্মিলনৰ আয়োজন কৰা হয় য'ত সমগ্ৰ ভাৰতৰ বিভিন্ন প্ৰান্তৰ



প্ৰায় চল্লিছ গৰাকী ইউনেস্ক' সংঘৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। লগতে মৌচাকৰ জন্ম লগ্নৰে পৰা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা গীত-নৃত্য, নাট-বাদ্য প্ৰতিযোগিতাত যোগদান কৰি অসম তথা উত্তৰ পূৱ ভাৰতলৈ গৌৰৱ কঢ়িয়াই অনা প্ৰায় পয়ত্ৰিশ জন শিল্পীক 'মৌচাক ৰত্ন' বঁটা আৰু বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াক 'জ্ঞান সাগৰ' উপাধিৰে সম্বোধন কৰি 'শান্তি দূত ' বঁটা প্ৰদান কৰা হয়। লগতে গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক হীৰেন গোহাঁই আৰু প্ৰশান্ত বৰদলৈ, অভিনেতা বিষ্ণু খাৰঘৰীয়াকে আদি কৰি আঠ চল্লিশ গৰাকী লোককো 'শান্তি দূত' বঁটা প্ৰদান কৰা হয়।

# জি আৰ পি-আৰ পি এফৰ সজাগতা সমদল




ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী ৰে'লৱে ষ্টেচনৰ জি আৰ পি, আৰ পি এফ আৰু মজদুৰ ইউনিয়নৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি জি আৰ পি থানাৰ সন্মুখৰ পৰা মূল গেট হৈ আহি এস্কেলেতৰ গেটৰ সন্মুখত সমদল সমাপ্ত কৰে। উক্ত সমদলত আৰ পি এফৰ পৰিদৰ্শক খগেন বসুমতাৰী, উপ পৰিদৰ্শক ৰমাই দাস, জি আৰ পিৰ পৰিদৰ্শক অভিষেক বৰো, উপ পৰিদৰ্শক ৰফিক আলীৰ লগতে মজদুৰ ইউনিয়নৰ চৰ্দাৰ সুৰেন্দ্ৰ যাদৱ সহ প্ৰায় ১০০ জন মান লোক উপস্থিত আছিল।

যোৱা খণ্ডৰ পৰা...

# আলেকজেণ্ডাৰক কৈ দিবাগৈ

জ্যোতি খাটনিয়াৰ



ইউৰোপত আবেলাৰ্ড (১০৭৯-১১৪২)ক কেন্দ্ৰ কৰি যি বিশ্ববিদ্যালয়ৰ ধাৰণা গঢ়ি উঠিছিল, তাৰ অতি বিখ্যাত উদাহৰণ কেইটাৰ ভিতৰত গটিনজেন বিশ্ববিদ্যালয় অন্যতম। উল্লেখ্য যে মধ্যযুগৰ পণ্ডিত আবেলাৰ্ডৰ জ্ঞান চৰ্চা আৰু হাজাৰ হাজাৰ শ্ৰোতাক আকৰ্ষণ কৰা বক্তৃতাবোৰৰ জৰিয়তে ইউৰোপত বিশ্ববিদ্যালয়ৰ ধাৰণা গঢ়ি উঠিছিল বুলি বহুতে ক'ব খোজে। ভাবি ভাল লাগে যে অসমীয়া ভাষাত পণ্ডিত ড° বাণীকান্ত কাকতিয়ে মধ্যযুগৰ সেই পণ্ডিতজনাৰ আৰু তেওঁৰ প্ৰেমৰ বিষয়ে এখন আৱেগসিক্ত আৰু অৰ্থবহ ৰচনা লিখি থৈ গৈছে। (দ্ৰষ্টব্য: তেওঁৰ "সাহিত্য আৰু প্ৰেম গ্ৰন্থ") জাৰ্মানীৰ জ্ঞান সাধনাৰ বিষয়ে তাত বহুদিন কটোৱা পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈয়ে কৈছিলঃ " জাৰ্মান অধ্যয়ন আৰু আলোচনা প্ৰণালী আয়ত্ত কৰা সাধাৰণ কথা নহয়, কাৰণ সি হৈছে এটা ব্ৰত, এটা বিশেষ মানসিক প্ৰবৃত্তিৰ ওপৰত প্ৰতিষ্ঠিত। তাৰ কাৰণে অবিশ্ৰান্ত পৰিশ্ৰম, তীক্ষ্ণ দৃষ্টি আৰু সুদীৰ্ঘ চৰ্চাৰ আৱশ্যক। " এই বিষয়ে কৃষ্ণকান্ত সন্দিকৈৰ মন্তব্যৰ সমৰ্থন আমি অতি শক্তিশালী ৰূপত পাও ওপৰত উল্লেখ কৰা ভাৰতীয় দাৰ্শনিক জিতেন্দ্ৰনাথ মহান্তিৰ আত্মজীৱনী Between Two WorldsÊ. East and West (২০০২) নামৰ গ্ৰন্থত। আধুনিক ভাৰতৰ জ্ঞান চৰ্চাৰ এসময়ৰ কেন্দ্ৰ কলিকতা চহৰত কেইবাজনো পণ্ডিতৰ ওচৰত সংস্কৃত ভাষা শিকি গটিনজেন বিশ্ববিদ্যালয়ত কিদৰে সংস্কৃত চৰ্চা কৰা হয়, তাৰ এক তুলনামূলক অধ্যয়ন দাৰ্শনিক মহান্তিয়ে তেওঁৰ এই আত্মজীৱনীত ডাঙি ধৰিছে। বিখ্যাত জাৰ্মান সংস্কৃতঃ Ernst Waldshmist য়ে মহান্তিক ছাত্ৰ হিচাপে কৰিবলৈ দিয়া কাম আছিল এনেধৰণৰঃ He put a needle through a palm leave manuscript, opened the manuscript where the needle stopped, asked me to explain that page -- first to translate it, then to point out grammatical problem and then raise questions and so forth. সংস্কৃত পণ্ডিতজনাই লগতে কৈছিল যে My goal is to train you in such a way that given a fragment of a manuscript, you can make of it, date it, build a reasonable hypothesis about its type, internal and external, cross references, produce a translation, and raise a host of questions. কৃষ্ণকান্ত সন্দিকৈৰ অতি পদ্ধতিগত জ্ঞান চৰ্চা আৰু গভীৰ পাণ্ডিত্যৰ আঁৰত জাৰ্মানীৰ জ্ঞান সাধনাৰ এনে দৃষ্টিভংগী আৰু অনুশীলন লুকাই আছিল বুলি আমি ক'ব পাৰো। অৱশ্যে গটিনজেন বিশ্ববিদ্যালয় আৰু চহৰখনৰ সৈতে জ্ঞান চৰ্চাৰ সৈতে জড়িত হৈ থকা দিশটোৱেই হল গণিত চৰ্চা। আধুনিক গণিতৰ অতি প্ৰসিদ্ধ নাম বোৰেৰে গটিনজেন সমৃদ্ধ। গণিতৰ ৰাজকোঁৱৰ ফ্ৰেডেৰিখ গাউছ, গণিতজ্ঞ ৰিমান, ডেভিদ হিলবাৰ্ট, ফেলিক্স ক্লেইন, এমি ন'টাৰ, হাৰ্মান মিনক'ৱস্কিৰে সমৃদ্ধ গটিনজেনৰ গাণিতিক ঐতিহ্য এতিয়া নিজেই এটা অধ্যয়ন আৰু গৱেষণাৰ বিষয়। এলবাৰ্ট আইনষ্টাইনৰ আপেক্ষিকতাবাদ তত্ত্বক সুদৃঢ় জ্যামিতিক আয়তন দিয়া মানুহজনেই হল মিনক'ৱস্কি। বিশেষ আপেক্ষিকতাবাদ তত্ত্ব প্ৰকাশ হোৱা পাছত তাৰ জ্যামিতিক ভিত্তি কি হ'ব, বিশেষকৈ স্থান আৰু কালৰ সম্পৰ্কক কেনেদৰে জ্যামিতিক ধাৰণাৰে বুজিব কৰা যাব, সেয়া এক ডাঙৰ প্ৰত্যাহ্বান আছিল। এই ক্ষেত্ৰত মিনক'ৱস্কিৰ আলোচনাই বাট দেখুৱাইছিল। তেওঁ অতি মুকলিকৈ গটিনজেন বিশ্ববিদ্যালয়ৰ গণিতজ্ঞ আৰু ছাত্ৰ সকলৰ আগত বাৰে বাৰে কৈছিলঃ Einstein's presentation of his deep theory is mathematically awkward. I can say that because he got his mathematical education in Zurich from me . ১৯০৮ চনৰ ২১ ছেপ্টেম্বৰত মিনক'ৱস্কিয়ে তেওঁৰ স্থান আৰু কাল বক্তৃতাত কৈছিল, স্থান আৰু কাল সম্পৰ্কে তেওঁ যিখিনি কথা ক'বলৈ যাব, সেয়া পৰীক্ষাত্মক পদাৰ্থ বিজ্ঞানৰ মাটি টুকুৰাৰ ওপৰত প্ৰতিষ্ঠিত, আৰু ইয়াতেই তাৰ শক্তি নিহিত হৈ আছে। এয়া বৈপ্লৱিক। এতিয়াৰে পৰা স্থান আৰু কাল অকলশৰীয়া হৈ নেথাকে আৰু সেয়া অন্ধকাৰৰ মাজলৈ পৰ্যবেষিত হ'ব। দুয়োটা লগ হৈ হৈ এক স্বতন্ত্ৰ বাস্তৱক ডাঙি ধৰিব। মিনক'ৱস্কিৰ এই সময়ৰ কামখিনিয়ে ত্ৰিবিমীয় জ্যামিতিক চতুৰ্বিমীয় জ্যামিতিৰ অংশ কৰি পেলালে। আমি সকলোৱে শিকা ইউক্লিডৰ জ্যামিতি অতি সাধাৰণ আৰু সৰল হৈ পৰিল। আনহাতে নিজে গণিতজ্ঞ হোৱা বাবে আৰু পদাৰ্থ বিজ্ঞানৰ বিভিন্ন পৰীক্ষাৰ সৈতে পৰিচিত মিনক'ৱস্কিৰে এই কথা জানিছিল যে আলোকতত্ত্বৰ বিশেষ জ্ঞান নেথাকিলে আইনষ্টাইনৰ চিন্তাধাৰাক আৰু সুদৃঢ় কৰিব পৰা নেযাব। সেইকাৰণে তেওঁ পৰৱৰ্তী সময়ত পদাৰ্থ বিজ্ঞানত নোবেল বঁটা বিজয়ী তৰুণ প্ৰতিভা মেক্স বোৰ্ণক গটিনজেনলৈ আমন্ত্ৰণ জনাইছিল।

হিলবাৰ্টে ঠিক কৰি দিয়া সমস্যাবোৰৰ আজিলৈকে গণিতচৰ্চাত গভীৰ প্ৰভাৱ আছে। হিলবাৰ্টৰ সৈতে মিনক'ৱস্কিয়ে সংখ্যা তত্ত্বৰ বিষয়েও গভীৰ আলোচনা কৰিছিল। সেই সময়ত (১৯০৯ চন) হিলবাৰ্টে সংখ্যা তত্ত্বৰ এটা জটিল সমস্যা Warings' Theorem প্ৰমাণ কৰিছিল। তাৰ আগে আগে হিলবাৰ্ট অতি উৎকণ্ঠি হৈ আছিল আৰু মাজে মাজে হতাশাৰ স্বিকাৰ হৈছিল। এই ক্ষেত্ৰত তেওঁক সকাহ দিছিল মিনক'ৱস্কিৰ সান্নিধ্যই। গণিতৰ ইতিহাসৰ সৈতে পৰিচিত যিকোনো ব্যক্তিয়ে জানে য' ত গণিতজ্ঞ সকলৰ জীৱনত প্ৰায়ে এনেকুৱা সময় আহে, যত তেওঁলোকে নিজৰ বৌদ্ধিক শক্তি কিছু সময়ৰ বাবে হেৰুৱাই পেলায়। ই তেওঁলোকক প্ৰায়ে হতচকিত কৰি তোলে আৰু নিৰাশাৰ মাজলৈ লৈ যায়। গটিনজেনত প্ৰায়ে এনেকুৱা পৰিৱেশ আছিল। কাৰণ, যি তীব্ৰতা আৰু গভীৰতাৰে ইয়াত জ্ঞান চৰ্চা চলিছিল, তাত সদায়ে হয়তো এজন ব্যক্তি সমপৰিমাণে জড়িত হৈ থকা সহজ নহয়। সি যি কি নহওক, তাত হিলবাৰ্টে পুনৰ তেওঁৰ বৌদ্ধিক শক্তি ঘূৰাই পাইছিল। কিন্তু সেই সময়তে হঠাতে মাত্ৰ ৪৪ বছৰ বয়সত এপেন্দিচাইটিছৰ জটিলতাত মিনক'ৱস্কিৰ মৃত্যু হ'ল। চিকিৎসালয়ৰ পৰা জৰুৰীভাৱে ডেভিড হিলবাৰ্টক মাতি পঠিওৱা হ'ল। লৰালৰিকৈ হিলবাৰ্ট বন্ধু মিনক'ৱস্কিৰ কাষ পালেগৈ। ৪৪ বছৰীয়া ইতিমধ্যে মিনক'ৱস্কিৰ মৃত্যু হৈছে (১২ জানুৱাৰী, ১৯০৯)। তেওঁৰ বিছনাৰ ওচৰত চিকিৎসক দুজন বৈ আছে। দুয়োৰে চকুত চকুপানী। মিনক'ৱস্কিৰ বিছনাত পৰি ৰৈছে হিলবাৰ্টৰ সৈতে আলোচনা কৰিবলগীয়া নানান জটিল সূত্ৰ আৰু গণনা। হিলবাৰ্ট স্তব্ধ হ'ল। পৰৱৰ্তী সময়ত Warings' Theorem ৰ প্ৰমাণ সম্পৰ্কত হিলবাৰ্টে লিখা আৰু সংখ্যা তত্ত্বৰ প্ৰভাৱশীল ৰচনাখনৰ প্ৰথম কথাটোৱে আছিলঃ To the memory of H. Mঃ হাৰমান মিনক'ৱস্কিৰ স্মৃতিত।

গটিনজেনক কেন্দ্ৰ কৰি নৈতিকতাৰ বহু প্ৰশ্নও কিন্তু পৰৱৰ্তী সময়ত উত্থাপিত হৈছে। বিশেষকৈ হিটলাৰৰ সময়ৰ ইহুদী ছাত্ৰ, শিক্ষকসকলৰ বিষয়ে জ্ঞান চৰ্চাৰ কেন্দ্ৰটোৱে গ্ৰহণ কৰা স্থিতি। দাৰ্শনিক মহান্তিয়ে এই ক্ষেত্ৰত প্ৰখ্যাত জাৰ্মান ইতিহাসবিদ হাৰমান হেইম্পেলৰ কথা কৈছে। জীৱনৰ শেষ বয়সত ইহুদী অত্যাচাৰৰ সময়ত বিশেষ মাত নমতা হেইম্পালে বাৰে বাৰে যিকোনো অভ্যাগতক উন্মাদৰ দৰে অহৰহ সুধি থাকিছিল, মই এতিয়া কি কৰা উচিত। মহান্তিয়ে এই ক্ষেত্ৰত প্ৰসিদ্ধ জাৰ্মান দাৰ্শনিক হেইডেগাৰৰ উদাহৰণ দি কৈছে যে হেইডেগাৰে এবাৰো তেওঁৰ ভুল ৰাজহুৱাকৈ স্বীকাৰ কৰা নাছিল।

তক্ষশীলা, নালন্দাৰ পৰা গটিনজেনলৈ জ্ঞান চৰ্চাৰ এই যাত্ৰাৰ উমৈহতীয়া সূত্ৰ বিচৰা সহজ নহয়। ওৱে জীৱন জাৰ্মানীৰ এখন সৰু চহৰ ক'নিগছবাৰ্গত দিন কটোৱা দাৰ্শনিক ইমানুৱেল কাণ্টে কৈছিল যে জ্ঞানৰ ক্ষেত্ৰত কল্পনাই আমাৰ উপলব্ধিক গতি দিয়ে। কলাৰ জগতখনত আকৌ আমাৰ বোধশক্তিয়েহে কল্পনাক বিস্তৃতি প্ৰদান কৰে। তক্ষশীলা, নালন্দা আৰু গটিনজেনৰ উমৈহতীয়া বৈশিষ্ট্য এয়াই। ইয়াত জ্ঞান, বোধ শক্তি আৰু কল্পনাই বিভিন্ন ধৰণেৰে আমাৰ মনটোক সজীৱ আৰু গতিশীল কৰি ৰাখে। সেইবাবে, এলবাৰ্ট আইনষ্টাইনৰ দৃষ্টিত জাৰ্মানীত পৰমাণু বোমা নিৰ্মাণ কৰিব পৰা বিজ্ঞানী কাৰ্ল ফ্ৰেডৰিখ ভন ৱেইজেকাৰে কোৱাণ্টাম তত্ত্বৰ জটিল গণিত, প্ৰায়োগিক বিজ্ঞানৰ দক্ষতা অৰ্জনৰ মাজত গভীৰ মনোযোগিতাৰে অধ্যয়ন কৰে প্লেটো আৰু প্ৰাচীন গ্ৰীক দৰ্শন। নালন্দাত সেইদৰে চৰ্চা হয় ফৰাচী চিন্তাবিদ মিৰ্চা এলিয়াৰ্ডৰ ভাষাত, পীড়া - অস্তিত্বৰ সমীকৰণ। এই প্ৰেক্ষাপটতে সাধু দণ্ডামিছৰ হাজাৰ বছৰ পুৰণা উক্তি ("যোৱা আৰু আলেকজেণ্ডাৰক কৈ দিবাগৈ") ৰ মূল অৰ্থ নিহিত হৈ আছে।

## নীলা চকুজুৰি

ইলা ভৰালী ডেকা,গুৱালকুছি



সাগৰ নীলা চকুজুৰিৰ
এনে কি মায়া সনা আছে
চকুত চকু পৰি
চাৰি চকুৰ মিলন হলে
কব নোৱাৰাকৈ
বুকুত বাঢ়ি যায় কপনি
বুকুৰ গহন কোনত সাঁচি ৰাখা
মিঠা অনুভৱবোৰ
কৈ দিওঁ কৈ দিওঁ লাগে
মোৰ মনৰ কথাবোৰ
বুজিও নুবুজা তুমি
মোৰ মনৰ অনুভৱ
চকুৰ পলকতে
সযতনে সাঁচি ৰাখা
হৃদয় খনিত
এতিয়া যে তোমাৰ আধিপত্য
নজনা নুবুজা এয়া
মিঠা শিহৰন ।

# হেলমেটৰ আঁৰৰ মুখ খন

ফখৰুদ্দিন আহমেদ



অসম বিখ্যাত কৃষি প্ৰকল্পৰ বাবে জনাজাত হোৱা গৰুখুটিৰ অন্তৰ্গত ৰূপৰিকাষত বিয়া দিয়া ভাগিন ছোৱালীজনীৰ পিত্তত হোৱা পাথৰ অপাৰেচনৰ খবৰ লৈ উঠি মংগলদৈৰ প্ৰখ্যাত নাৰ্চিংহোম দেবচন্দ্ৰৰ সমুখত হেমলেট পৰিধান কৰি ঘৰলৈ বুলি স্কুটীত বহি পৰিবাৰলৈ অপেক্ষা কৰি আছিলোঁ। তাৰিখ আৰু বাৰ আছিল ক্ৰমে ২১ জুন, ২০২৪ আৰু শুক্ৰবাৰ। যিটো দিনক বছৰৰ দীৰ্ঘতম দিন হিচাপে জনা যায়।

স্বাভাৱিক ভাবেই প্ৰায় এমাহ ধৰি দিয়া বৰষুণৰ পিছত ৰ'দৰ তীব্ৰতা সেই মুহূৰ্তত বাৰু কৈয়ে অনুভৱ কৰি আছিলোঁ। এনেতে এহাল সম্ভ্ৰান্ত যেন লগা দম্পতিয়ে মাজত এটি মৰমলগা শিশুক বহুৱাই লৈ বাইকেৰে মোৰ ওচৰেদি পাৰ হৈ যোৱা দেখিলোঁ। মই পুনৰ পৰিবাৰৰ বাবে অপেক্ষাৰ ধাৰাবাহিকতাত ব্যস্ত হ'লোঁ। ক্ষন্তেক পিছত পিছ ফালৰ পৰা ঘুৰি আহি 'অ দাদা, আপুনিহে ' বুলি দম্পতিহালৰ পুৰুষজনে মাত দিলে। তেৰোঁ ধুনীয়াকৈ সম্পুৰ্নকৈ মুখমণ্ডল আৱৰি এটি হেলমেট পিন্ধি আছিল। মই কোনো কাৰণতেই তেওঁক চিনিব পৰা নাছিলোঁ। মোৰ লগতে পৰিয়ালৰ খবৰ বাতৰি ল'লে। ইতিমধ্যে পৰিবাৰ আহি হাজিৰ হৈছিলহি। পৰিবাৰক দেখুৱাই দি আমি যে ঘৰলৈ আহিম সেয়া অৱগত কৰি বিদায় ল'ব বিচাৰোতেই তেওঁ পুনৰ ক'বলৈ ধৰিলে 'দাদা, বেয়া নাপাব। আপোনাৰ ওচৰেদি প্ৰথমবাৰ পাৰ হৈ যাওঁতে মই আপোনাক একেবাৰেই চিনি পোৱা নাছিলোঁ। আপুনি যে হেলমেট পিন্ধি আছে। হেলমেট পিন্ধি থাকিলে মানুহক চিনি পোৱা বৰ টান ' বুলি কৈ তেওঁ বাইকখন ঘুৰাই লৈ গুছি গ'ল। পৰিস্থিতিটো টলকিব পৰাৰ পিছতহে নিজকে নিজে গম পালোঁ তেওঁ কোন আছিল মই ধৰিবই নোৱাৰিলোঁ। মোৰ চিনাকী মানুহবিলাকৰ মুখবোৰ চকুৰ সমুখেদি চিনেমাৰ পৰ্দাত দেখা দিয়া চলমান চিত্ৰৰ দৰে পাৰ হৈ যাব ধৰিলে। কিন্তু কাৰো লগতেই তেওঁৰ মিল নাপালোঁ। কাৰণ তেওঁৰ মুখমণ্ডলৰ প্ৰায় অংশই পৰিহিত হেলমেটটিৰ দ্বাৰা আবৃত আছিল।

হেলমেট পৰিহিত অৱস্থাত মানুহজনক চিনি পোৱাত বিশেষ ভাবে অসুবিধা হ'লেও এই সামগ্ৰীবিধে পৰিহিতজনক দুৰ্ঘটনাৰ সময়ত মুৰত আঘাত পোৱাৰ পৰা প্ৰতিৰক্ষা প্ৰদান কৰে। দীঘলীয়া পৰিভ্ৰমণৰ সময়ত কিছুমান বাইচাইকেল আৰোহীয়েও হেলমেট পৰিধান কৰা দেখা যায়। কিন্তু বাইক বা স্কুটী আৰোহীৰ বাবে পৰিধান কৰাতো বাধ্যতামূলক হোৱাৰ পিছতো বহুতো আৰোহীয়ে এই সামগ্ৰীবিধ পৰিধান নকৰি তীব্ৰ গতিত বাইক বা স্কুটী চলাই ফুৰা দেখা পোৱা যায় । অসম চৰকাৰৰ সাধাৰণ আৰু আৰক্ষী প্ৰশাসনক হেলমেট নিপিন্ধা সকলৰ ক্ষেত্ৰত প্ৰয়োজনীয় বিধি ব্যৱস্থা গ্ৰহণ কৰা বাৰুকৈয়ে পৰিলক্ষিত হয় যদিও সাধাৰণ নাগৰিক এই ক্ষেত্ৰত একেবাৰেই সন্তম নহয়। কাৰণ বাতৰিকাকত বা টি ভি চেনেল বিলাকত প্ৰায়েই হেলমেট নিপিন্ধাকৈ বাইক চলাই দুৰ্ঘটনাত পতিত হৈ বহু যুৱকে অকালতে মৃত্যুক সাৱটি লোৱা সংবাদ প্ৰচাৰ হৈ থাকে। আজিৰ জন্ম নিয়ন্ত্ৰণৰ যুগত বহুতো পিতৃ মাতৃয়ে তেওঁলোকৰ একমাত্ৰ সন্তানক হেৰুৱাব লগা হয়। এয়া কেৱল পৰিতাপৰ বিষয়েই এনে বাতৰিয়ে অন্য মানুহকো বেদনাহত কৰে।

বাইক বা স্কুটী আৰোহী যুৱ প্ৰজন্ম হেলমেট পৰিধান সম্পৰ্কত সতৰ্ক আৰু দায়িত্বশীল হোৱা নিতান্তই প্ৰয়োজনীয়। কেতিয়াবা কিছুমান ঘটনা চক্ৰত এনে ভাৱ হয় যেন যুৱ প্ৰজন্মই কেৱল আৰক্ষীৰ হাতত জৰিমনা নভৰিবলৈহে হেলমেট পৰিধান কৰে। প্ৰায় যুৱকে বাইক বা স্কুটী চলাই থকাৰ সময়ত হেলমেটটি এখন হাতত সোমোৱাই লৈ যায়। যিটো পৰিঘটনা দুৰ্ঘটনা সংঘটিত হ'বলৈ যথেষ্ট। আন কিছুমানে হেলমেট পিন্ধে কিন্তু সেই হেলমেটটিয়ে দুৰ্ঘটনাৰ সময়ত আৰোহীৰ মুৰটি ৰক্ষা কৰিবলৈ নোৱাৰে। ফলত দুৰ্ঘটনাত আক্ৰান্তজন থিতাতে নিহত হয়। পেট্ৰল ডিপো বিলাকত এখনি ফলক দেখা পোৱা যায়। তাত লিখা থাকে 'হেলমেট পৰিধান নকৰিলে পেট্ৰল নাপাব'। কিন্তু সেয়াও ফুটুকাৰ ফেন সদৃশ। বাস্তৱ অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে বহু যুৱক বাইক বা স্কুটী আৰোহীয়ে কেৱল পেট্ৰল ভৰোৱাৰ সময়ত হেলমেট পিন্ধে আৰু পেট্ৰল ডিপোৰ পৰা প্ৰস্থানৰ পিছতেই হেলমেট খুলি লয়। সকলো ধৰণৰ দুৰ্ঘটনা ৰোধ কৰিবলৈ হ'লে সাধাৰণ জনতাই সকলোবোৰ সাংবিধানিক বিধি বিধান মানি চলাতো অপৰিহাৰ্য কৰ্তব্য হয়তো দুৰ্ঘটনাৰ পৰিসাংখ্যিক হিচাপ উলিয়াবলৈ গ'লে বাইক বা স্কুটীৰ দুৰ্ঘটনাই সৰ্বাধিক হ'ব।

এই ক্ষেত্ৰত যুৱ প্ৰজন্ম অধিক সতৰ্ক হ'ব লাগিব। ৰাজ্যত শ শ স্বেচ্ছাসেৱী সংগঠন (এন, জি, অ) ৰ ভিতৰৰৰ পৰা কিছু সংখ্যকে বিশেষকৈ অসমৰ যুৱ প্ৰজন্মৰ মাজত সজাগতা সৃষ্টিত বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। লগতে অভিভাৱক সকলেও বাইক বা স্কুটী এখন নিজৰ সন্তানটিক কিনি দিয়েই কৰ্তব্য সমাপন হোৱা বুলি ভাবিলে নহ'ব। নিজৰ সন্তানটিয়ে কিমান গতিত বাইক বা স্কুটী চলাই সেয়া লক্ষ্য ৰাখিব লাগিব। প্ৰশাসনক এই ক্ষেত্ৰত সাৰ্বজনীন ভাবে সহায় সহযোগিতা কৰি দুৰ্ঘটনা ৰোধ কৰাত অংশগ্ৰহণ সকলো প্ৰকাৰ নাগৰিকৰ একান্ত কৰ্তব্য বুলি নিজস্ব ভাবে বিবেচনা কৰা উচিত।

হেলমেট পৰিধান কৰি বাইক বা স্কুটী চলালে পৰিহিত মানুহজনক চিনি পোৱাত অসুবিধা হ'লেও দুৰ্ঘটনাৰ সময়ত পৰিধান কৰোতাজনক ঠিকেই আঘাতৰ পৰা ৰক্ষা কৰাত মহৌষধৰ দৰে কাম কৰে ।

# অভিনেতা, নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্য

**ইন্দ্ৰ কান্ত বৈশ্য, শিক্ষক, বংশৰ, কামৰূপ (অসম)**



কামৰূপ জিলাৰ গুৱালকুছিৰ অন্তৰ্গত বংশৰ গাঁওৰ অতুল বৈশ্য আৰু মালতী বৈশ্যৰ সুযোগ্য সন্তান উদীয়মান অভিনেতা তথা নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্যই নিজৰ নৃত্য অভিনয়ৰ জৰিয়তে ৰাইজৰ মাজত সমাদৰ লাভ কৰিছে। সৰুৰে পৰা নৃত্য আৰু অভিনয়ৰ প্ৰতি ৰাপ থকা বিশ্বজিৎ বৈশ্যই প্ৰাথমিক বিদ্যালয় ছাত্ৰ জীৱনৰ পৰাই নৃত্য, গীত আৰু অভিনয়ত মনোনিৱেশ কৰে। তেওঁ বিভিন্ন প্ৰতিযোগিতাত ভাগ লৈ পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়।

বিশ্বজিৎ বৈশ্যই শিক্ষা গ্ৰহণ কৰে ক্ৰমে বংশৰ সানপাৰা প্ৰাথমিক বিদ্যালয়, বংশৰ সানপাৰা মধ্য ইংৰাজী বিদ্যালয়, বংশৰ ভৃঙ্গেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়, বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু স্নাতক ডিগ্ৰী লাভ কৰে পূব বংশৰ মহাবিদ্যালয় পছৰীয়াৰ পৰা।

তেওঁ বংশৰ প্ৰগতি সংঘ আৰু পুথিভঁড়ালৰ সৌজন্যত শাৰদীয় শ্ৰীশ্ৰীদুৰ্গা পূজাত প্ৰদৰ্শিত হোৱা কেইবাখনো ভ্ৰাম্যমাণ আৰ্হিত কৰা নাটকত অভিনয় কৰাৰ লগতে কেতবোৰ নৃত্যও পৰিচালনা কৰে। ইং ২০১৭ চন তেওঁ 'ক্ৰিয়েটিভ ডান্স একাডেমী' বংশৰ নামৰে নৃত্যানুষ্ঠান এখন প্ৰতিষ্ঠা কৰিছে। ইয়াৰ ওপৰিও চাৰু নৃত্য ও 'ক্ৰিয়েটিভ ডান্স একাডেমী' বংশৰ, চাৰু নৃত্য ও 'ক্ৰিয়েটিভ ডান্স একাডেমী' দদৰা-পছৰীয়াটো নৃত্য প্ৰশিক্ষক হিচাপে নিয়োজিত হৈ আছে। নৃত্যানুষ্ঠান কেইখনৰ জৰিয়তে তেওঁ স্থানীয় আৰু বিভিন্ন ঠাইৰ লৰা-ছোৱালীক প্ৰশিক্ষণ দি আহিছে। উল্লেখ্য যে বিভিন্ন ঠাইত তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্যত অংশ গ্ৰহণ কৰি পুৰস্কাৰ আৰু সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

গুৱালকুছি আৰু বংশৰত বিভিন্ন সময়ত অনুষ্ঠিত হোৱা বিহুনৃত্য কৰ্মশালা সমূহতো তেওঁ ওতপ্ৰোত ভাৱে জড়িত হৈ ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰি আহিছে। বিশ্বজিৎ বৈশ্যই প্ৰায় কুৰিৰো অধিক ভিডিঅ' গীতত সাৱলীল অভিনয়েৰে দৰ্শক ৰাইজক মন মুহিত কৰাৰ লগতে বিভিন্ন ভিডিঅ' গীতত নৃত্য পৰিচালনা কৰিও দৰ্শক ৰাইজৰ সহাৰি লাভ কৰিছে। ইং ২০১০ চনত ওড়িষ্যাৰ কটকৰ পৰা তেওঁ আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰে। ইয়াৰ ওপৰিও একাগ্ৰ শিল্প সাধনাৰ স্বীকৃতিস্বৰূপে তেওঁ ২০১৯ চনত সংস্কৃতি সংগম গুৱাহাটীৰ পৰা গুৰু এৱাৰ্ড, ২০২৩ চনত কামাখ্যা ফেষ্টিভেলে প্ৰদান কৰা আন্তঃৰাষ্ট্ৰীয় নৃত্য জ্যোতি বঁটা, আৰোহণ আৰ্টিষ্ট গ্ৰীল্ড, Da News Plus,, News Express 24' ডিজিটেল চেনেল আৰু Assam Talks য়ে প্ৰদান কৰা বিশেষ শিল্পী সম্বৰ্ধনাও লাভ কৰে।

সাংস্কৃতিক জগতত বিশ্বজিৎ বৈশ্যই আগবঢ়োৱা অৱদানে হাজো ৰাজহ চক্ৰবাসীৰ ৰাইজৰ লগতে আমাকো নথৈ আনন্দিত আৰু গৌৰৱান্বিত কৰিছে। মই নিজে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰু হিচাপে বিশ্বজিৎ বৈশ্যৰ এই সাংস্কৃতিক যাত্ৰা চিৰযুগমীয়া হওঁক। সদৌ টি শেষত তেওঁৰ উজ্জ্বল ভৱিষ্যত আৰু শিল্পী জীৱনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

অণুগল্প

# শ্ৰাদ্ধ

আয়নাল হক, ধুবুৰী



উভতি নহাৰ বাটেৰে সি গ'লগৈ। তাইৰ যন্ত্ৰণাই আকাশ কঁপাইছে। উকা কপাল, বগা সাজযোৰেৰে আজি তাই শ্ৰাদ্ধ পাতিছে স্বামীৰ। তাৰ ফটোখনে যেন কৈছে- "তুমি চিন্তা নকৰিবা মৌচুমী। মই তোমাৰ কাষতে থাকিম।"

ছয়- বছৰীয়া নিকুৱে নাম-কীৰ্তনৰ তালত গা ভাঙিছে। সি চাগে জনাই নাই তাৰ দেউতাক যে আৰু নাহে ঘুৰি।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

অসম চৰকাৰ
উচ্চ শিক্ষা বিভাগ



অসম চৰকাৰৰ শিক্ষা বিভাগৰ অভিলাষী পদক্ষেপ

প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত

## মহাবিদ্যালয় পৰ্যায়ত শিক্ষাৰ্থীৰ বাবে

# বিনামূলীয়া নামভৰ্তি

JANASANYOG- 321/24/30-June-24

### বিনামূলীয়া নামভৰ্তিৰ ক্ষেত্ৰত যোগ্যতাৰ মাপ-কাঠী

- ছাত্ৰ-ছাত্ৰীসকলৰ পিতৃ/মাতৃ চৰকাৰী/চৰকাৰৰ অধীনস্থ নিগম-নিকায়ত কৰ্মৰত হ'ব নালাগিব
- ছাত্ৰ-ছাত্ৰীসকলে পিতৃ/মাতৃৰ আয়ৰ প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব
- ছাত্ৰ-ছাত্ৰীসকলে নিয়মীয়া শিক্ষাৰ্থী হিচাপে নামভৰ্তি কৰিব লাগিব
- আয়ৰ প্ৰমাণ-পত্ৰ নাথাকিলে 'পৰিয়াল পৰিচয়-পত্ৰ' অথবা ৰেচন কাৰ্ডখনক আয়ৰ বৈধ প্ৰমাণ-পত্ৰ ৰূপে গণ্য কৰা হ'ব

### বিগত বৰ্ষসমূহত প্ৰজ্ঞান ভাৰতী আঁচনি ৰূপায়ণৰ খতিয়ান

| বৰ্ষ | নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | মহাবিদ্যালয়সমূহক আদায় দিয়া ধনৰ পৰিমাণ (কোটি টকা) |
|---|---|---|
| ২০১৬-১৭ | ১,৩৮,০৮৫ | ৪৪.১৫ |
| ২০১৭-১৮ | ২,৩৪,২৮০ | ৭৪.৫০ |
| ২০১৮-১৯ | ২,৭৮,৭২৯ | ৯১.৭৩ |
| ২০১৯-২০ | ১,৮৯,৪৩৪ | ৭৭.২৩ |
| ২০২০-২১ | ৪,০৭,৫৮১ | ১৬১.৯২ |
| ২০২১-২২ | ৩,৫৭,৯০৩ | ৮৯.৮৭ |
| ২০২২-২৩ | ৩,২৯,৬১২ | ১৮৩.৮৭ |
| ২০২৩-২৪ | ২,৯৪,৬৩৩ | ১০৩.০৯ |

সৰ্বমুঠ ধন **৮২৬.৩৬** কোটি টকা

সৰ্বমুঠ ছাত্ৰ-ছাত্ৰী **২২,৩০,২৫৭** গৰাকী

এই বছৰ বৰ্তমানলৈ ৫৭,৫০০গৰাকীতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় পৰ্যায়ত বিনামূলীয়া নামভৰ্তিৰ সুবিধা লাভ কৰিছে

এনে নামভৰ্তিৰ বিপৰীতে পৰিশোধ কৰিবলগীয়া সম্পূৰ্ণ মাচুল অসম চৰকাৰে মহাবিদ্যালয় কৰ্তৃপক্ষক ১০ জুলাই ২০২৪ত আদায় দিব

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam dipr.assam.gov.in

# চিকল চেল ৰোগ (Sickle cell Disease)

ডাঃ যুতিকা ওজা,মুৰব্বী অধ্যাপিকা, কমিউনিটি মেডিচিন বিভাগ
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়

মানুহৰ তেজত সাধাৰণতে প্লাজমা, শ্বেত ৰক্তকনা, লোহিত ৰক্ত কনা আৰু প্লেটিলেট থাকে। ইয়াৰে লোহিত ৰক্ত কনাৰ কোষবোৰত হিম'গ্লবিন নামৰ এবিধ প্ৰ'টিন পোৱা যায় যিয়ে শৰীৰত অক্সিজেন যোগান ধৰাত সহায় কৰে আৰু তেজক ৰঙা ৰং প্ৰদান কৰে। সাধাৰণতে লোহিত ৰক্তকনা সমূহ অৱতল ৰূপৰ, কিন্তু ই সহজতে নিজৰ গঠন আৰু ৰূপ সলনি কৰিব পাৰে যাৰ ফলস্বৰূপে ই অনায়াসে সকলো ধৰণৰ ৰক্তনলীৰে পাৰ হৈ যাব পাৰে চিক'ল চেল ৰোগ (Sickle cell Disease) হৈছে এক বংশগত ৰোগ, য'ত শৰীৰৰ লোহিত ৰক্ত কণাসমূহ প্ৰভাৱিত হয়, জেনেটিক বিসংগতিৰ বাবে হিম'গ্লবিন প্ৰভাৱিত হয় আৰু লোহিত ৰক্তকনাৰ গঠন কাঁচি খনৰ নিচিনা হৈ পৰে। ইয়াৰ ফলত লোহিত ৰক্ত কনাবোৰ সহজতে ৰক্তবাহী নলীৰে পাৰ হৈ যাব নোৱাৰা হয়, আৰু ৰক্ত আৰু অক্সিজেন প্ৰৱাহত বাধা জন্মে। সাধাৰন লোহিত ৰক্ত কনাৰ আয়ুস কাল ১২০ দিন, কিন্তু কাঁচিৰ নিচিনা ৰক্তকনা সমূহৰ আয়ুস কেৱল ১০ ৰ পৰা ২০ দিন। ফলত ক্ৰমান্বয়ে আক্ৰান্ত ৰোগীজন ৰক্তহীনতাত ভুগিবলৈ আৰম্ভ কৰে। লগতে বিভিন্ন ধৰনৰ সংক্ৰামক ৰোগ, বিষ, শৰীৰৰ বিভিন্ন অংশ ফুলি উঠা, আৰম্ভ হয় আৰু ক্ৰমান্বয়ে ৰোগীজনৰ- যকৃৎ, হাওফাও, মগজু আদি অংগ বিকল হ'বলৈ আৰম্ভ কৰে।

সমগ্ৰ বিশ্বৰ ভিতৰত ভাৰতবৰ্ষতেই পাহাৰীয়া জাতি- জনজাতিৰ ঘনত্ব সকলোতকৈ বেছি। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতবৰ্ষত ৮.৬ শতাংশ পাহাৰীয়া জাতি- জনজাতি আছে যি ৬৭.৮ মিলিয়নতকৈও অধিক। এই পাহাৰীয়া জাতি- জনজাতি সকলৰ মাজত চিকল চেল ৰোগৰ (Sickle cell Disease) আক্ৰান্তৰ হাৰ খুব বেছি। ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে ১৯৫২ চনত দক্ষিন ভাৰতৰ নীলগিৰি পৰ্বতৰ আশে পাশে আৰু উজনি অসমৰ চাহ বাগানৰ মজদুৰ সকলৰ মাজত এই ৰোগ ধৰা পৰিছিল। ভাৰতবৰ্ষৰ গুজৰাট, ৰাজস্থান, উত্তৰাখণ্ড, মহাৰাষ্ট্ৰ, বিহাৰ, ঝাৰখণ্ড, মধ্য প্ৰদেশ, ছত্তীশগড়, উৰিষ্যা, পশ্চিমবঙ্গ, তামিলনাডু, তেলেংগানা, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, কেৰেলা, উত্তৰ প্ৰদেশ, অসম আদি ৰাজ্যত এইৰোগৰ হাৰ খুব বেছি। অসমৰ ডিব্ৰুগড়, যোৰহাট আৰু তিনিচুকীয়া জিলাত এই ৰোগৰ হাৰ বেছি।

এই ৰোগৰ লক্ষণসমূহ হৈছে সঘনাই হৈ থকা শৰীৰৰ বিষ, ৰক্তহীনতা, অলস ভাৱ, হাত-ভৰি ফুলি থকা, জণ্ডিছ, চকুৰ সমস্যা, বৃদ্ধিত বাধা, হৃদযন্ত্ৰৰ ৰোগ, বক্ক, যকৃৎ আদিৰ দুৰ্বলতা, আদি।

সঠিক ৰক্তপৰীক্ষাৰ দ্বাৰা এই ৰোগ সহজতে চিনাক্ত কৰিব পাৰি আৰু সময়মতে সুচিকিৎসাৰ দ্বাৰা এই ৰোগ নিয়ন্ত্ৰণত ৰাখিব পাৰি। শৰীৰত হোৱা বিষ ক'মাবৰ বাবে বিভিন্ন ধৰণৰ দৰব আছে। লগতে বুকুৰ বিষ আৰু সংক্ৰমণৰ ৰোধৰ বাবে এন্টিবায়'টিক, অক্সিজেন যোগান, ৰক্ত সংচৰণ (Blood Transfusion) আদিৰ ব্যৱস্থা আছে। ইয়াৰ লগতে আনুসংগিক বিকাৰসমূহৰ চিকিৎসাৰ ব্যৱস্থা আছে। যিহেতু এইৰোগ বংশগত ৰোগ, ইয়াক নিৰ্মূল কৰিব নোৱাৰি, সেয়েহে উপযুক্ত চিকিৎসাৰ দ্বাৰা এইৰোগ নিয়ন্ত্ৰণত ৰখাৰ ব্যৱস্থা কৰা উচিত। 'জিন থেৰাপী' ৰ গৱেষণাই আগন্তুক দিনত এই ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰী ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।

২০৪৭ চনৰ ভিতৰত চিকল চেল ৰোগ (sickle cell Disease) ভাৰতবৰ্ষত নিৰ্মুল কৰাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ হাতত লৈছে। ২০২৩ চনত ভাৰত চৰকাৰে আৰম্ভ কৰা "ৰাষ্ট্ৰীয় চিকল চেল এনিমিয়া নিৰ্মুল অভিযান"ৰ জৰিয়তে এই ৰোগত আক্ৰান্ত ৰোগীক সহজতে সঠিক চিকিৎসা আৰু ৰোগৰ হাৰ হ্ৰাস কৰাৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। প্ৰাৰম্ভিক পৰ্য্যায়ৰ প্ৰতিৰোধ (Primary Prevention) হিচাপে ৰাইজৰ মাজত এই ৰোগক সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা



হৈছে।

যিহেতু এইৰোগ বংশানুক্ৰমিক, সেয়েহে বিবাহ পূৰ্বক এই ৰোগৰ বিষয়ে পৰামৰ্শ প্ৰদানৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে যাতে নতুনকৈ কোনো লোক এই ৰোগৰ দ্বাৰা আক্ৰান্ত নহয়। যিসকল লোক ইতিমধ্যে এই ৰোগত আক্ৰান্ত তেওঁলোকৰ ক্ষেত্ৰত বিশেষ চিকিৎসা সকলো পৰ্য্যায়তে উপলব্ধ কৰা, আৰু গুৰুতৰ ভাৱে আক্ৰান্ত ৰোগীসকলৰ ক্ষেত্ৰত ৰোগৰ জটিলতা হ্ৰাস কৰা আদি এই অভিযানৰ ভিতৰত সামৰি লোৱা হৈছে। জনজাতীয় অঞ্চলসমূহত স্বেচ্ছাসেৱী সংস্থা (NGO) সমূহেও এইৰোগ প্ৰতিহত কৰাৰ বাবে নিৰলস প্ৰচেষ্টা কৰি আছে। অনাতাঁৰ, দূৰদৰ্শন, বাতৰি কাকত, সামাজিক মাধ্যম সমূহেও এইৰোগৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ বাবে বিভিন্ন কাৰ্য্যসূচী হাতত লৈছে এই ৰোগৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰে জুন মাহৰ ১৯ তাৰিখে বিশ্ব চিকল চেল দিৱস (World Sickle cell Day) হিচাপে পালন কৰাৰ ব্যৱস্থা কৰা হৈছে। জনসাধাৰণ সজাগ আৰু সচেতন হ'লেহে আমি আগন্তুক দিনত এই ৰোগৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিব পাৰিম ।

# লোক সংস্কৃতিৰ ভিতৰত এক অন্যতম প্ৰাচীন শিল্প 'পুতলা নাচ'



অনামিকা (সংগীতা) কলিতা, গুৱালকুছি

লোক সংস্কৃতিৰ ভিতৰত এক অন্যতম প্ৰচীন শিল্প পুতলা নাচ। খ্ৰীষ্টপূৰ্ব পঞ্চম শতাব্দীত পুতলা নাচৰ উৎপত্তি বুলি ঠাৱৰ কৰিব পাৰি। এই প্ৰচীন শিল্প বিধ পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন নামেৰে নামকৰণ কৰিছে। আমাৰ ভাৰত বৰ্ষত এই শিল্প বিধৰ তাহানিৰে পৰা এতিয়ালৈকে এক ঐতিহ্য বহন কৰি আহিছে এই পুতলাৰ যোগেদি ধৰ্মীয় গ্ৰন্থ মহাভাৰত, ৰামায়ণৰ আখ্যানৰ পৰা সমাজ সচেতন, ধেমেলীয়া সকলো দৃশ্য অৱতাৰণা কৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে পুতলা নাচ ভাওন, মুখা শিল্প সংস্কৃতিৰ আদিৰ সহায়ত সমাজ খনত, অজ্ঞান অন্ধকাৰ দূৰ কৰি জ্ঞানৰ আলোক বিতৰণ বাবেই এই শিল্প বোৰৰ সহায় লোৱাৰ বিষয়ে বিভিন্ন গ্ৰন্থত পঢ়িব পাইছোঁ।

সেই সময়ত মোবাইল টিভি আদি নাছিল। গতিকে সমাজ খনৰ আগত কিছুমান কথা বুজোৱাৰ বাবে, মাটি বাঁহ বেত কাপোৰ আদিৰে তৈয়াৰ কৰা কিছুমান পুতলা সাজি লৈছিল। তাৰ পিছত ১৪ বাৰ ৬ জন মানুহে লগ হৈ এটি দল গঠন কৰি, তেওঁ লোকে (ৰিহাচল) প্ৰশিক্ষণ লৈ কিছুমান বাদ্যযন্ত্ৰ সহযোগত বিভিন্ন মঠ-মন্দিৰ বা ৰাজহুৱা স্থান এই পুতলা নাচ প্ৰদৰ্শন কৰিছিল।

বৰ্তমান এই শিল্পৰ আমাৰ সমাজৰ পৰা পাহৰণিৰ গৰ্ভত বিলীন হৈ যাব যেন অনুভৱ হয়। গতিকে আমাৰ সকলোৰে দায়িত্ব এই শিল্প বিধক সংৰক্ষণ কৰা আৰু সমাজৰ মাজত প্ৰচলিত কৰি ধৰি ৰখা।

# একুঁকি ভালপোৱা ৰ'দৰ জিলিকনি

যমুনা দুলু বৈশ্য, গুৱালকুছি



আহাৰ মহীয়া বোকাপানীৰে জীপাল কৰা
পথাৰত একুঁকি ভালপোৱাৰ
ৰ'দৰ জিলিকি উঠা বৃষ্টিত,
শব্দবোৰে মুঠি মুঠি কৈ সাঁচি ৰখা
প্ৰণয়ৰে বাহঁৰ পাতে ।
আবেলিৰ ৰামধেনুৰে নিজকে সঁজায়
আলফুলকৈ আকাশৰ বুকুত জোনাকৰ
পোহৰ কণ পাবলৈ মোৰ হৃদয়েও
কেতিয়াবা ব্যাকুল কৰে অজানিতে,
ভূঁই ৰোৱা পথাৰত বহিবলৈ
সেউজীয়া সপোনৰ বাটে,
মনৰ মাজত দুচকুত
জিলমিলকৈ ৰংবোৰৰ স'তে আবেগ সানে,
সময়ৰ সাঁকোৰ অনুভৱৰ তেজাল দৃষ্টি হৈ
বাঢ়ি অহা নদীৰ ফেনে ফুটুকাৰে
অনুভূতিৰ ঢৌ তোলে, মনৰ মাজত দোলনি দিয়ে
প্ৰতিদিনেই অঙ্কুৰিত হোৱা পথাৰ খনে
প্ৰৱাহমান সৃষ্টিৰে যৌৱনা প্ৰাপ্ত হোৱাৰ
ক্ষণবোৰ চাই পোৱাৰ মানসেৰে
সোণালী হৈ ৰহণ চ'বাই,
অপেক্ষাৰে চ'হা খেতিয়কৰ মন হয়
উদুলি-মুদুলিৰে ভৰপূৰ ।

# অভিভাৱক সকলে নিজক সলনি কৰাৰ প্ৰয়োজন হৈছে.. ভয়াবহ হাৰত সমাজত বৃদ্ধি পাইছে আত্মহননৰ ঘটনা

মানসী মিশ্ৰ



ঘটনাটো ঘটি যোৱা কেইদিন মান পাৰ হ'ল। পিছে মোৰ দৰে আন বহুতৰ মনবোৰে হয়তো মানি ল'ব পৰা নাই কিহৰ বেদনাত ইমান মৰম লগা কিশোৰজনে চিৰদিনলৈ আঁতৰি গ'ল। নামটোও আছিল বৰ সুন্দৰ, ময়ুৰ কৃষ্ণ গোস্বামী। নামটো যিমান সুন্দৰ কিশোৰ জনো আছিল সিমানেই সুন্দৰ। পঢ়া শুনাত অত্যন্ত মেধাৱী, যিয়ে কেন্দ্ৰীয় বোৰ্ডৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত দেশৰ ভিতৰতে পঞ্চম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছিল। ঘৰৰ কনিষ্ঠ সন্তান পৰিয়ালৰ নয়নৰ মণি এই কিশোৰজন কিয় আঁতৰি যাবলগীয়া হ'ল ইমান কম বয়সতে আমাৰ সকলোৰে মাজৰ পৰা। ভাবিবলৈও বৰ কঠিন এইসমূহ কথা।

এইটো কিন্তু প্ৰথম ঘটনা নহয়। প্ৰায় দুমাহমান পূৰ্বে কটন মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষত অধ্যয়নৰত এগৰাকী অত্যন্ত মেধাৱী ছাত্ৰীয়ে শ্ৰেণী সমাপ্ত কৰিয়েই দুমহীয়া বিল্ডিংৰ ওপৰত থকা শ্ৰেণী কোঠাৰ পৰা তললৈ জপিয়াই আত্মহত্যা কৰিছিল। তাৰ কিছুদিন আগতে উত্তৰ গুৱাহাটীস্থিত আই আই টিৰ ছাত্ৰ এজনে আত্মহত্যা কৰিছিল। এইকেইটা মাত্ৰ কেইদিন মানৰ ভিতৰতে ঘটি যোৱা ঘটনাহে। আমি যদি দুই তিনি বছৰৰ স্থিতি অধ্যয়ন/ বিশ্লেষণ কৰি চাওঁ তেন্তে দেখিবলৈ পাম যে এই সময়ছোৱাৰ ভিতৰত কেইবাগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰী, প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে আত্মহননৰ দৰে ভয়ংকৰ পথ বাছি লৈছিল। ইয়াৰ ভিতৰত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ, আভিযান্ত্ৰিক পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰী, প্ৰতিষ্ঠিত চিকিৎসক, কলেজ, স্কুলৰ মেধাৱী, প্ৰতিভাৱান ছাত্ৰ- ছাত্ৰীও আছিল। কেতিয়াবা ভাব হয় ইমান মেধা থকাৰ পিছত, ঈশ্বৰে ইমান প্ৰতিভা প্ৰদানৰ পিছত কিহৰ বেদনাত এইসকলে জীৱনটোকে শেষ কৰি পেলোৱাৰ দৰে ইমান কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰচাৰ মাধ্যমৰ যোগেদিয়ে পোহৰলৈ আহিছিল আজিৰ পৰা দুবছৰ মান মহানগৰীৰে আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰী এগৰাকীয়ে সৰস্বতী পূজাত অনুষ্ঠিত সৌন্দৰ্য্য প্ৰতিযোগিতাত স্থান লাভ নকৰা বাবেই আত্মহননৰ পথ লৈছিল। কেইটামান বছৰ আগতে মেট্ৰিক (হাইস্কুল শিক্ষান্ত পৰীক্ষাত) স্থান প্ৰাপ্ত এগৰাকী ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত স্থান লাভ কৰিব নোৱাৰাৰ বাবে আত্মহত্যাৰ দৰে কঠোৰ সিদ্ধান্ত বাচি লৈছিল।

আমি যদি মাত্ৰ কেইদিন আগতে ঘটি যোৱা ঘটনাটোকে মূল আধাৰ হিচাপে লওঁ তেন্তে আমি এটা কথা উপলদ্ধি কৰিব পাৰোঁ যে তেওঁৰ ওপৰত মানসিক চাপ অত্যন্ত বেছি আছিল যাৰ বাবে এটা সময়লৈ তেওঁ গভীৰ শংকাত ভুগিছিল যে পৰিয়ালে আৰু আন মানুহে তেওঁকলৈ কৰা আশা সমূহ পূৰ্ণ কৰিব পাৰিব নে নোৱাৰে। এনে সময়ত অভিভাৱক, পৰিয়ালৰলোক সকলৰ পৰা যিধৰণৰ সমৰ্থন, সহযোগিতা লাভ কৰিব লাগিছিল সেইখিনি তেওঁ পোৱা নাছিল। কম বয়সতে মাতৃহীণ হোৱাত তেওঁ এক আবেগিক মৰম চেনেহৰ পৰা বঞ্চিত হৈ আছিল। তেওঁ মনৰ মাজত যিখিনি শংকা, হতাশা কঢ়িয়াই লৈ ফুৰিছিল সেইখিনি আদান-প্ৰদান কৰি সমাধান সূত্ৰ পাব পৰাকৈ তেওঁৰ কোনো বন্ধু অথবা উপযুক্ত সংগ নাছিল। এনে সময়তে এক চৰম হতাশাত ভুগি তেওঁ জীৱনৰ পৰাই আঁতৰি যোৱাৰ দৰে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সমাজত এই কিশোৰ আৰু যুৱপ্ৰজন্মৰ মাজত আত্মহননৰ ঘটনা ইমান উচ্চহাৰত বৃদ্ধি পাইছে, এই ক্ষেত্ৰত পিতৃ-মাতৃ, অভিভাৱক লগতে ৰাইজসকল যথেষ্ট সজাগ হোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। বিশেষকৈ সৰুৰে পৰা সন্তানৰ সামাজিকীকৰণ প্ৰক্ৰিয়াত যথেষ্ট চকু দিব লাগে। ল'ৰা-ছোৱালীৰ বিকাশৰ সময়ছোৱাত তেওঁলোকৰ কিবা ভুল ভ্ৰুটি থাকিলেও পিতৃ-মাতৃ, অভিভাৱকসকলে গালি-গালাজৰ পৰিৱৰ্তে মৰম চেনেহেৰে বুজাই দি সেই ভুলৰ শুধৰণি কৰিবলৈ যত্ন কৰিবলৈ লাগে। কৰবাত ধমক দিবলগীয়া হ'লেও সেয়া এনেধৰণৰ হ'ব লাগিব যাতে ল'ৰা-ছোৱালীয়ে বুজি পাব পাৰে যে পিতৃ-মাতৃয়ে সেয়া তেওঁলোকৰ ভালৰ বাবেহে, মংগলৰ বাবেহে কৰা হৈছে। সুখ, দুখৰ বিভিন্ন মুহূৰ্ত সমূহত পিতৃ-মাতৃয়ে সন্তানক সময় দিবলৈ যথাসাধ্যে চেষ্টা কৰিব লাগে। ল'ৰা-ছোৱালীক খেল-ধেমালি কৰিবলৈ, মুকলি পৰিবেশত ফুৰা চকা কৰিবলৈ সুযোগ প্ৰদান কৰিব লাগিব। ল'ৰা ছোৱালীক তেওঁলোকৰ সমবয়সীয়া বন্ধুৰ প্ৰয়োজন হয় যাৰ সৈতে আজৰি সময়ত তেওঁলোকে উমলিব পাৰে, খেল-ধেমালি কৰিব পাৰে, মনৰ ভাব প্ৰকাশ কৰিব পাৰে। জীৱনৰ বহু সুখৰ, দুখৰ মুহূৰ্তৰ ভিন্ন সমস্যা সমাধানত সহায় কৰাৰ ক্ষেত্ৰত বন্ধুৰ এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে। আমি দেখিবলৈ পাওঁ যে প্ৰায়বোৰ ল'ৰা-ছোৱালীৰে নিজস্ব কিছুমান ৰুচি, অভিৰুচি, প্ৰতিভা থাকে। এইসমূহত পিতৃ - মাতৃ, অভিভাৱক সকলে লক্ষ্য ৰাখি এইসমূহৰ উপযুক্ত চৰ্চা আৰু প্ৰতিপালনত সহায় কৰিব লাগে। এই সমূহে শৈশৱ, কৈশোৰৰ পৰাই ল'ৰাছোৱালী ব্যক্তিত্ব গঠনত যথেষ্ট ইতিবাচক প্ৰভাৱ পেলায়, লগতে ল'ৰাছোৱালীৰ আবেগিক বিকাশো সম্পূৰ্ণ কৰে। বৰ্তমানৰ কঠিন বাস্তৱৰ মুখামুখি হৈ নিজৰ জীৱনটোক আগবঢ়াই নিবলৈ ল'ৰাছোৱালী সকলৰ আবেগিক বিকাশ সম্পূৰ্ণ হোৱাটো নিত্যান্তই প্ৰয়োজন।

কেইটামান বছৰৰ পৰা লক্ষ্য কৰি আহিছোঁ প্ৰতিবছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা, হায়াৰ চেকেণ্ডাৰী শিক্ষান্ত পৰীক্ষা, অথবা অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ অৱতীৰ্ণ হোৱাৰ আগত আৰু পিছত বহু কিশোৰ যুৱক-যুৱতীয়ে আত্মহননৰ পথ বাচি লয়। এক হ'ল বহু সময়ত তেওঁলোকে আশাপ্ৰদ ফলাফল কৰিব পাৰে নে নাই, সেই বিষয়ে আগতীয়াকৈ শংকাত ভোগে আৰু যদিহে নহয় তেন্তে তেওঁলোকে পিতৃ-মাতৃ, অভিভাৱকৰ মুখামুখি কিদৰে হ'ব সেইবিষয়ে এক গভীৰ শংকাত ভোগে আৰু পৰীক্ষাৰ ফলাফল ওলোৱাৰ পিছত যি সকলে তেওঁলোকে বিচৰামতে ফলাফল দেখুৱাব নোৱাৰিলে তেওঁলোকে পিতৃ-মাতৃ, অভিভাৱক, সমাজৰ আগত লাজত পৰিব বুলি তেওঁলোকে আত্মহননৰ দৰে চৰম সিদ্ধান্ত গ্ৰহণ কৰে। আমাৰ সমাজৰ চৌপাশে এনে এক বাতাবৰণৰ সৃষ্টি হৈছে যে অধিক সংখ্যক পৰিয়ালতে পিতৃ-মাতৃ, অভিভাৱক সকলে ল'ৰা-ছোৱালীক এক নম্বৰমুখী প্ৰতিযোগিতাত দৌৰিবলৈ শিক্ষা দিছে। সন্তানটোৰ সেইখিনি দৌৰিবলৈ শক্তি আছে নে নাই সেইকথাটোলৈ মুঠেও মন কৰা নাই।

বৰ্তমানৰ বস্তুবাদী সমাজ ব্যৱস্থাত মানুহবোৰে যিদৰে প্ৰতিবেশীৰ লগত বন্ধুৰ লগত বিলাসী অট্টালিকা, বিলাসী গাড়ীৰ প্ৰতিযোগিতাত নামি পৰিছে ঠিক তেনেদৰে নিজৰ সন্তানকো সহপাঠীৰ সৈতে, প্ৰতিবেশী ল'ৰা-ছোৱালীৰ সৈতে নম্বৰৰ প্ৰতিযোগিতাত নমাই দিছে। কেৱল নম্বৰহে লাগে তেওঁলোকক।পিতৃ-মাতৃ, অভিভাৱকে আশা কৰা নম্বৰ কেইটা ল'ৰা-ছোৱালীয়ে যিকোনা প্ৰকাৰে আনি দিবই লাগিব।ঠিক একেদৰে ছাত্ৰ-ছাত্ৰী অথবা তেওঁলোকৰ লক্ষ্য নিৰ্দ্ধাৰণৰ কথাটোতো তেওঁলোকেই আগতে থাকিব। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ লগে লগে তেওঁ কোন শাখাত ভৰ্তি হব সেয়া, লগতে চিকিৎসা বিজ্ঞান পঢ়িবনে, আভিযান্ত্ৰিক পাঠ্যক্ৰম পঢ়িব, সেয়া পিতৃ-মাতৃয়ে নিৰ্দ্ধাৰণ কৰিব। সঁচা কথাত কবলৈ গলে এই বস্তুবাদী সমাজৰ চিন্তাধাৰাৰ লগত খোজ মিলাবলৈ যাওঁতে সন্তানৰ স্বাধীনতা একেবাৰে লোপ পায় আৰু ইয়াৰ ফলত তেওঁলোকৰ মনত একপ্ৰকাৰ হীনমান্যতাৰ জন্ম হয়। বহুসময়ত সন্তানৰ বৌদ্ধিক সামৰ্থতা যিখিনি থাকে তাতোকৈ অধিক অধিক আশা কৰি থাকে আৰু এয়া এক ভয়ৰ কাৰণ হৈ পৰে সন্তানসকলৰ বাবে। এই ভয় আৰু উদ্বিগ্নতাৰ বাবেই বহু ল'ৰা ছোৱালীয়ে নিজে নিজে জীৱনৰ পৰা আঁতৰি যোৱাৰ ভয়াবহ সিদ্ধান্ত গ্ৰহণ কৰা দেখা যায়। এনে ধৰণৰ ঘটনা কৰবাত সংঘটিত হোৱাৰ লগে লগেই বু বু বা বা ওলাই পৰে যে প্ৰেমৰ বাবেহে এনেধৰণৰ ঘটনা ঘটিবলৈ পালে। কিন্তু এনেদৰে ভবাটোও ভুল। কেৱল প্ৰেমত বিফল হোৱাৰ বাবে আমাৰ সমাজৰ যুৱ আৰু কিশোৰ প্ৰজন্মৰ মাজত আত্মহত্যাৰ ঘটনা সংঘটিত হৈ থকা নাই। নিজৰ পঢ়াৰ নামত, কেৰিয়াৰ গঢ়াৰ নামত, ভাল লগা বেয়া লগাৰ অভিৰুচি বাচনি কৰাৰ ক্ষেত্ৰত পাই থকা প্ৰবল মানসিক চাপ অথবা হেঁচাৰ বাবেও ল'ৰা ছোৱালীয়ে এনে সিদ্ধান্ত লবলগীয়া হয়। গতিকে পিতৃ-মাতৃ, অভিভাৱক সকলে নিজে নিজক বিশ্লেষণ কৰাৰ প্ৰয়োজন হৈছে। এনেধৰণৰ নেতিবাচক প্ৰতিযোগিতাৰ ভাব যিসকলৰ মনত বেছি হোৱা বুলি নিজে অনুভৱ কৰিব পাৰিছে তেওঁলোকে মানসিক কাউন্সেলিং লোৱাৰ প্ৰয়োজন আহি পৰিছে। অভিভাৱক সকলে এইক্ষেত্ৰত নিজকে পৰিৱৰ্তন কৰিবৰ বাবে যত্নপৰ হওঁক কিছুমান অমূলক প্ৰতিযোগিতাৰ মনোভাৱ নিজৰ মনৰ পৰা পৰিহাৰ কৰক, দেখিব আমাৰ সমাজত অতি বেছিকৈ বাঢ়ি অহা এই সমস্যা বহু পৰিমাণে কমি যাব।

অনুগল্প

## বিশ্বাস

শৈলেন কুমাৰ,মিৰ্জা (কামৰূপ )




জেষ্ঠজনে কৈছিল জুইৰ ওচৰত নাযাবা, জ্বলি যাবা। কিছু জনা হোৱাত মই জুই লগাই দিলোঁ, মোৰটো একো নহ'ল কিন্তু মোৰ অন্তৰ মন জ্বলি ছাঁই হৈ গ'ল কাৰণ মানৱৰূপী দানৱক মই বিশ্বাস কৰিছিলোঁ ।

# সুদীৰ্ঘ প্ৰতীক্ষাৰ অন্তত

অধিনায়ক মাৰ্কৰাম উভয়ে ৪ ৰানৰ অৱদান আগবঢ়ায়। ভাৰতৰ হৈ হাৰ্দিক পাণ্ডিয়াই ৩টা, অৰ্শদ্বীপ সিং আৰু যশপ্ৰীত বুমৰাহ উভয়ে ২টাকৈ আৰু অক্ষৰ পেটেলে ১টা উইকেট লাভ কৰে। প্ৰতিযোগিতাখনত বুমৰাহে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। ইয়াৰ পূৰ্বে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰিবলৈ আহি বিৰাট কোহলিৰ ৭৬ আৰু অক্ষৰ পেটেলৰ গুৰুত্বপূৰ্ণ ৪৭ ৰানৰ সহায়ত ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৬ ৰান সংগ্ৰহ কৰে। ইনিংছ আৰম্ভণি সুখকৰ নাছিল ৰোহিত বাহিনীৰ। দলীয় স্কৰ ৩৪ ৰানতে তিনিজনকৈ আগশাৰীৰ বেটাৰক হেৰুৱাই শ'লঠেকত পৰে। অধিনায়ক ৰোহিত শৰ্মাৰ ৰূপত ভাৰতে প্ৰথমটো উইকেট হেৰুৱায়। ব্যক্তিগত ৯ ৰান কৰি বিদায় লৈ ৰোহিত শৰ্মাই। ৰোহিত আউট হোৱাৰ ক্ষন্তেক পিছতে ঋষভ পন্টেও বিদায় লয়। উইকেটকীপাৰ বেটাৰগৰাকীয়ে দুটা বল খেলি কোনো ৰান নকৰাকৈ পেভিলিয়নমুখী হয়। সেই সময়ত ভাৰতীয় দলটোৰ স্কৰ আছিল ২ উইকেটত ২৩ ৰান। অৱশ্যে উইকেটৰ আনটো দিশত থকা বিৰাট কোহলিয়ে সূৰ্য কুমাৰ যাদৱৰ সৈতে লগ লাগি দলৰ বিপৰ্যয় ৰোধ কৰাৰ চেষ্টা চলায় যদিও ব্যৰ্থ হয়। দলীয় স্কৰ ৩৪ ৰানত সূৰ্য কুমাৰে ব্যক্তিগত ৩ ৰানত বিদায় লয়। ৫৯টা বলত ৬টা চাৰি আৰু ২টা ছয়েৰে ৭৬ ৰান কৰা কোহলিয়ে অক্ষৰ পেটেলৰ সৈতে চতুৰ্থ উইকেটত ৭২ ৰান সংগ্ৰহ কৰি ভাৰতীয় দলটোক এক সন্মানজনক স্থিতিত উপনীত কৰায়। অক্ষৰে ৩১টা বলত ১টা চাৰি আৰু ৪টা ছয়েৰে ৪৭ ৰানৰ গুৰুত্বপূৰ্ণ অৱিহণা আগবঢ়ায়। ইফালে শিৱম ডুবেই ১৬টা বলত ৩টা চাৰি আৰু ১টা ছয়েৰে ২৭ ৰানৰ অৱদান আগবঢ়ায়। হাৰ্দিক পাণ্ডিয়াই ২টা বলত ৫ ৰান কৰি অপৰাজিত হৈ থাকে যদিও ৰবীন্দ্ৰ জাদেজাই ২ ৰান কৰি আউট হয়। দক্ষিণ আফ্ৰিকাৰ হৈ কেশৱ মহাৰাজ আৰু এনৰিচ নৰ্টজে উভয়ে ২টাকৈ উইকেট লাভ কৰাৰ লগতে মাৰ্কো জানছেন আৰু কাগিছ' ৰাবাডা উভয়ে এটাকৈ উইকেট লাভ কৰে। উল্লেখ্য যে ১৯৮৩ চনত কপিল দেৱৰ নেতৃত্বত ভাৰতে ৱেষ্ট ইণ্ডিজক পৰাস্ত কৰি প্ৰথমবাৰলৈ এদিনীয়া বিশ্বকাপৰ সোৱাদ লাভ কৰাৰ বিপৰীতে ২০১১ চনত মহেন্দ্ৰ সিং ধোনী বাহিনীয়ে অনুৰূপ সন্মান দেশলৈ কঢ়িয়াই আনিছিল। ইয়াৰ পূৰ্বে ২০০৭ চনত মহেন্দ্ৰ সিং ধোনীৰ নেতৃত্বতে প্ৰথমবাৰলৈ টি-২০ বিশ্বকাপ অৰ্জন কৰিছিল টীম ইণ্ডিয়াই। সুদীৰ্ঘ ১৭বছৰৰ অন্তত ৰোহিত শৰ্মাৰ নেতৃত্বত বহু প্ৰতীক্ষিত সন্মান ভাৰতীয় ক্ৰিকেট দলে লাভ কৰিবলৈ সক্ষম হয়।

# গোলাঘাট প্ৰেছ ক্লাবৰ ৰূপালী

গুপ্তা, পংকজ হাজৰিকা, মোস্তাক হুছেইন, ধনশিৰি মহকুমাৰ সাংবাদিক সন্থাৰ সভাপতি মামুদ আলিক উপ-সভাপতি, সাংবাদিক ক্ৰমে সৌভিক বৰা, ভাস্কৰ বৰা, হিৰণ্য গগৈ, দেৱাশীষ গৌতমক সহকাৰী সাধাৰণ সম্পাদক, সাংবাদিক চন্দন কৰ্মকাৰ আৰু চুমি দত্তক কাৰ্যালয় সম্পাদক, সাংবাদিক চন্দন বৰা, অপূৰ্ব শৰ্মা, ধ্ৰুৱজ্যোতি বৰা, মৃদুস্মিতা শৰ্মা, অভিজিৎ দুৱৰা, পৱন কামান, চৌবিত বিষ্ট, হেমন্ত তামুলী, সুনীল বৰা, কুলেশ বৰা আৰু কমলাক্ষী দত্তক সাংগঠনিক সম্পাদক, সাংবাদিক স্কুল দত্ত, সাৰাংগ তামুলী, মৃদুস্মন্ত বৰুৱা, পংকজ দত্ত, মনোজ গগৈ, ভুপেন শইকীয়া, বিভাস শইকীয়া, উদিপ বৰাক প্ৰচাৰ সম্পাদক, সুজিত কানৈ আৰু বিজয় হাজৰিকাক বিত্ত সম্পাদক, ভাৰ্গৱ শইকীয়াক মুখ্য সমন্বয়ক, জয়ন্ত গগৈ, বিদ্বান বৰদলৈক সমন্বয়ক, স্বাগতা বৰা, কুকি বৰাক সাংস্কৃতিক সম্পাদক, পল্লৱীকা বৰুৱা, প্ৰাঞ্জল হাজৰিকা, প্ৰিঞ্চিপ্ৰিয়া ফুকন আৰু কুমকুম চাংমাইক সাহিত্য সম্পাদক, দীপক বৰাক পত্ৰিকা সম্পাদক আদিৰ লগতে কাৰ্যনিৰ্বাহক সদস্য, বিশেষ আমন্ত্ৰিত সদস্যকে ধৰি গোলাঘাট প্ৰেছ ক্লাবৰ ৰবৰ জনীয়া নতুন সমিতি গঠন কৰে। প্ৰতিনিধি সভা উদ্বোধন কৰে বিশিষ্ট লেখক, একালৰ প্ৰবীণ সাংবাদিক, ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গনেশ গোস্বামীয়ে । কাৰ্যসূচীৰ পুৱা পতাকা উত্তোলন কৰে প্ৰেছক্লাবৰ সভাপতি দেৱজিৎ ফুকনে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে জ্যেষ্ঠ সাংবাদিক জয়দ্বীপ গুপ্তাই। স্মৃতি তৰ্পণ কৰে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰবীণ কুমাৰ দাস আৰু সাংবাদিক চন্দন কৰ্মকাৰে। ৰূপালী জয়ন্তী বৰ্ষৰ শিখা প্ৰজ্বলন কৰে সাংবাদিক সৌভিক বৰাই। গোলাঘাট পৌৰ সভা কাৰ্যালয়ৰ সভাকক্ষত প্ৰেছ ক্লাবৰ সভাপতি দেৱজিৎ ফুকনৰ পৌৰাহিত্যত গাম্ভীৰ্যপূৰ্ণ ভাৱে অনুষ্ঠিত হোৱা মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ শুভ উদ্বোধন কৰে প্ৰবীণ সাংবাদিক, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই। আদৰণি ভাষণ প্ৰদান কৰে প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি দিগন্ত কুমাৰ ভূঞাই। বন্তি প্ৰজ্বলন কৰে গোলাঘাট পৌৰ সভাৰ পৌৰপতি দুলুমণি বৰবৰাই। সভাত বিশিষ্ট সমাজকৰ্মী প্ৰিয়ংদ্বীপ কাকতি, পৌৰ সভাৰ উপ-পৌৰপতি সীমান্ত বৰা, লেখক শিক্ষাবিদ গনেশ গোস্বামী, প্ৰবীণ সাংবাদিক নগেন বৰা, বিশিষ্ট শিক্ষাবিদ, লেখক তিলেশ্বৰ তামুলী আদিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানতে বোকাখাতৰ প্ৰবীণ সাংবাদিক বুবুল দত্তক সাংবাদিকতাৰ জীৱনজোৰা সাধনা বঁটা, গোলাঘাটৰ মোস্তাক হুছেইনক অনুসন্ধানমূলক সাংবাদিকতা বঁটা, জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰ গোহাঁইক সংগীত মাধুৰ্য বঁটা, পূৰ্ণ ৰাজখোৱাক বিশিষ্ট সামাজিক কৰ্মী বঁটা, সঞ্জীৱ সন্দিকৈক বিশিষ্ট ক্ৰীড়া সংগঠক বঁটা, সৰুপথাৰৰ জ্যেষ্ঠ সাংবাদিক দ্বীপেন বৰা, গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ বৰা, কাজিৰঙাৰ জ্যেষ্ঠ সাংবাদিক ৰঞ্জিত ৰজক, গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক পংকজ হাজৰিকা, দেৰগাঁৱৰ জ্যেষ্ঠ সাংবাদিক বিজয় হাজৰিকা, মেৰাপানীৰ জ্যেষ্ঠ সাংবাদিক হিৰণ্য গগৈ, খুমটাইৰ জ্যেষ্ঠ সাংবাদিক বাবুল গগৈক সক্ৰিয় সাংবাদিকতা বঁটা প্ৰদান কৰা হয় । বঁটা প্ৰাপক সকলক তাই আহোম ছাত্ৰ সন্থা, গোলাঘাট জিলা সমিতি, তাই আহোম যুৱ পৰিষদ, চুতীয়া জাতি ছাত্ৰ সন্থা, গোলাঘাট জিলা সমিতি, গোলাঘাট সন্মিলিত মটৰ পৰিবহন সন্থা, অসম জাতীয়তাবাদী যুৱ পৰিষদ, গোলাঘাট জিলা সমিতি, জাতীয় সংগ্ৰামী সেনা, সদৌ অসম পত্ৰকাৰ মহাসভা আমছু খিলঞ্জীয়া আদি বিভিন্ন সংগঠনে অনুষ্ঠানত বিপুল সম্বৰ্দ্ধনা জনায়। উক্ত অনুষ্ঠানত জনপ্ৰিয় শিল্পী আচুৰ্য বৰপাত্ৰ গোহাঁই আৰু সাংবাদিক ৰঞ্জিত ৰজকে দ্বৈত কণ্ঠত গীত পৰিৱেশন কৰি পৰিৱেশ জীপাল কৰি তোলে ।

# গুৱাহাটী বিশ্ববিদ্যালয়

জোকাৰি যোৱা কেলেংকাৰিটো সন্দৰ্ভত বৰ্তমানপৰ্যন্ত অনুসন্ধানকাৰী বিষয়াই আনুষ্ঠানিকভাৱে কোনোধৰণৰ তথ্য সদৰী নাই। অৱশ্যে অনাগত সময়ত কেলেংকাৰিটোৰে জড়িত বহু এজেণ্ট জালত পৰাৰ ইংগিত দিছে বৰপেটা আৰক্ষীৰ এক সূত্ৰই। সূত্ৰটোৰে প্ৰকাশ কৰা অনুসৰি ছাত্ৰ-ছাত্ৰীৰ তথ্য, মাৰ্কশীট আদি আই'ইউ এম এছ যোগে অনলাইনত আপলোডৰ দায়িত্বত থকা সংস্থা 'এক্সপেণ্ডিচাৰ -ই-ছল্যুচন'ৰ কৰ্তৃত্বশীল কৰ্মচাৰী হোৱাৰ সূত্ৰে সমস্ত দুষ্কাৰ্যৰ খলনায়ক আছিল কৃষ্ণনন কৃষ্ণমূৰ্তি। পুনৰীক্ষণৰ আবেদনৰ সুযোগ লৈ সংশ্লিষ্ট ছাত্ৰ-ছাত্ৰীৰ নম্বৰ মাৰ্কশীটত বঢ়াই দিয়াৰ পৰা সেয়া নতুনকৈ আপলোড কৰালৈকে, নীতি-বহিৰ্ভূত কাৰ্যকলাপৰ আঁৰৰ মানুহজনেই কৃষ্ণনন কৃষ্ণমূৰ্তি আছিল। ইয়াৰ বিনিময়ত কৃষ্ণানন কৃষ্ণমূৰ্তিয়ে এজেণ্টৰ পৰা লাভ কৰিছিল নিৰ্দিষ্ট পৰিমাণৰ ধন। ধৃত আটাইকেইজনকে অনুসন্ধানকাৰী দলে ইতিমধ্যে বৰপেটা জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰাই নিজ জিম্মাত লৈ মাৰাথন জেৰা অব্যাহত ৰাখিছে। এই জেৰাকালত গুৱাহাটী বিশ্ববিদ্যালয়ত সংঘটিত 'কেছ ফৰ মাৰ্কছ' কেনেধৰণৰ তথ্য পোহৰলৈ আহে সেয়া লক্ষণীয় হ'ব। উল্লেখ্য যে যোৱা ৩০ মে'ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৱেবছাইটত মাৰ্কশীট জালিয়াতিৰ এক ভয়ংকৰ তথ্য পোহৰলৈ আহিছিল।

# নীট কেলেংকাৰিঃ

চিবিআয়ে অভিযান চলাইছে। নীট-ইউজিৰ প্ৰশ্নকাকত ফাদিল কেলেংকাৰিৰ তদন্তৰ দায়িত্ব ২৫ জুনত আনুষ্ঠানিকভাৱে গ্ৰহণ কৰি চিবিআয়ে ২৭ জুনত বিহাৰৰ পাটনাৰ পৰা দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। মনীষ প্ৰকাশ আৰু আশুতোষ নামৰ দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ পিছতে চিবিআয়ে তদন্ত ক্ষিপ্ৰতৰ কৰি ঝাৰখণ্ড, গুজৰাটত এই কেলেংকাৰিত জড়িত অভিযুক্তক বিচাৰি অভিযান চলাই আছে। উল্লেখ্য যে চিবিআয়ে নীটৰ প্ৰশ্নকাকত ফাদিল সম্পৰ্কীয় ছটা গোচৰৰ তদন্ত চলাব। এই ৬টা গোচৰৰ ভিতৰত বিহাৰ, গুজৰাট আৰু মহাৰাষ্ট্ৰৰ এটাকৈ, ৰাজস্থানৰ তিনিটা গোচৰ আছে। নেচনেল টেষ্টিং এজেঞ্চীয়ে নীট-ইউজি ২০২৪ দেশজুৰি ৫৭১খন চহৰৰ ৪,৭৫০টা কেন্দ্ৰত আয়োজন কৰিছিল। ২৪ লাখতকৈ অধিক শিক্ষাৰ্থীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ৪ জুনত এই পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছিল। ফলাফলত ৬৭ শিক্ষাৰ্থীয়ে শীৰ্ষস্থান লাভ কৰাৰ বিপৰীতে বিহাৰত প্ৰশ্নকাকত ফাদিল হোৱাৰ তথ্য প্ৰচাৰ হৈছিল। ইয়াৰ লগে লগে দেশজুৰি এই পৰীক্ষাক লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত হয় আৰু কেন্দ্ৰীয় চৰকাৰে এই কেলেংকাৰিৰ তদন্ত চিবিআইৰ হাতত অৰ্পণ কৰে।

# কেজৰিৱালৰ গ্ৰেপ্তাৰৰ

স্বৈৰতন্ত্ৰ নিপাত যাওক', 'তানাছাহী নেহী চলেগা' আদি শ্লোগান দি উত্তাল পৰিবেশৰ সৃষ্টি কৰে।বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰা দলৰ জ্যেষ্ঠ নেত্ৰী অনুৰূপা ডেকা ৰজাই কয়, বিগত তিনি মাহ ধৰি আমাৰ দলৰ ৰাষ্ট্ৰীয় আহ্বায়ক কেজৰিৱালক অন্যায়ভাৱে কাৰাবন্দী কৰি ৰাখিছে। দিল্লীৰ ৰাউছ এভেনিউ আদালতে অবৈধ ভাৱে ধন সৰবৰাহৰ কোনো তথ্য প্ৰমাণ নোপোৱাৰ বাবে কেজৰিৱালৰ জামিনৰ নিৰ্দেশ দিছিল। কিন্তু ইডিয়ে উচ্চন্যায়ালয়ৰ কাষ চপাত আদালতে কেজৰিৱালৰ জামিনৰ ক্ষেত্ৰত স্থগিতাদেশ দিয়ে। তাৰ পাছতে সম্পূৰ্ণ ষড়যন্ত্ৰমূলক ভাৱে জে'লৰ ভিতৰতে চিবিআয়ে কেজৰিৱালক গ্ৰেপ্তাৰ কৰে। দুৰ্নীতিৰ কোনো প্ৰমাণ নথকা স্বত্বেও এনেদৰে দেশৰ জনপ্ৰিয় নেতা তথা এগৰাকী নিৰপৰাধী ব্যক্তিক বিজেপিৰ নিৰ্দেশত ইডি, চিবিআয়ে নিৰ্যাতন চলাইছে। দেশত বিজেপিৰ মন্ত্ৰীসকলে শ শ টকাৰ কেলেংকাৰী কৰিছে। কিন্তু ষড়যন্ত্ৰৰ বলি হৈছে অৰবিন্দ কেজৰিৱাল। আমি কেজৰিৱালৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছোঁ আৰু আশা কৰিছোঁ যে শীঘ্ৰেই প্ৰিয় নেতাগৰাকী জে'লৰ পৰা মুকলি হৈ আহিব।

# দৰঙত পথ সুৰক্ষা

তেওঁ লগতে কয় যে পথ সুৰক্ষা বৃদ্ধিৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বিশেষ গুৰুত্ব আছে। দ্ৰুতগতিত গাড়ী চলোৱা, সুৰাপান কৰি গাড়ী চলোৱা, হেলমেট নিপিন্ধাকৈ দুচকীয়া বাহন চলোৱা আদিৰ বিৰুদ্ধে জনসচেতনতা বৃদ্ধি কৰিব লাগিব। ইয়াৰ লগতে পথ সুৰক্ষাৰ আন নীতি-নিয়ম আৰু আইন কানুন সম্পৰ্কীয় সজাগতা সৃষ্টিৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। জিলা আয়ুক্তগৰাকীয়ে কয় যে পথ সুৰক্ষা বিষয়ক সজাগতামূলক অভিযান নগৰাঞ্চলতে সীমিত নাৰাখি গ্ৰামাঞ্চললৈ প্ৰসাৰিত কৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ জিলা পৰিবহন বিভাগক নিৰ্দেশ দিয়ে। সভাত সংশ্লিষ্ট বিভাগ সমূহৰ বিষয়া সকল উপস্থিত থাকে

## ENGLISH NEWS SECTION

# Assam Governor attends conference on Implementation of NEP 2020



Guwahati, RB News: Assam Governor Shri Gulab Chand Kataria attended the North Eastern and Eastern zone Vice Chancellors' Conference on Implementation of NEP 2020 which was organized by Pragjyotishpur University in collaboration with the UGC at a city hotel. Speaking on the occasion, Shri Kataria said, "The first education policy of the 21st century, NEP 2020 aims to comprehensively reform our nation's education system from primary to higher education levels. Aiming at value-based education, skill development, and the integration of digital technology, NEP 2020 promises to usher in a new era of educational excellence." The Governor also said that the nation's future depends on the ability to provide quality higher education to the youth. Therefore, Government of India has introduced and subsequently implemented the National Education Policy 2020 (NEP 2020) to provide more inclusive, holistic and quality education. This is a policy made for the future, which will promote the human resources development and progress of the nation. Therefore, everyone needs to work with full dedication for the implementation and adaptation of this policy, Shri Kataria exhorted.

# Assam Governor attends 6th convocation of Indian Institute of Information Technology, Guwahati



Guwahati, RB News: Assam Governor Shri Gulab Chand Kataria attended the 6th convocation of Indian Institute of Information Technology, Guwahati held at Dr. Bhupen Hazarika Auditorium at IIT-G campus. Speaking on the occasion, Shri Kataria congratulated the graduates and said, "This convocation is an important occasion in academic journey which is a testament to the years of hard work, dedication and determination of a student". The degrees and awards given to the students on the occasion are the results of their perspiration and perseverance. Convocation is as much a proud moment for the students as it is for the teachers, mentors, and other stakeholders of an educational institution.

# Assam Governor felicitates team IIT-G for its achievements



Guwahati, RB News: In recognition to achieving 344th Rank among the Higher Educational Institutions in QS World Ranking 2025, Assam Governor Shri Gulab Chand Kataria today felicitated Director IIT-G Prof.Devendra Jalihal and his team at a function held at Raj Bhavan. It may be noted that IIT Guwahati besides the 344th rank has also bagged the 87th Rank Globally in SDG 9 (Industry, Innovation & Infrastructure) in the Times Higher Education Impact Ranking 2024, 4th rank in Chemistry, 5th rank in Physical Sciences and over all Academics and 7th Rank in all Institutions category under 287th Rank globally in Academics in Nature Index Ranking 2024. Speaking on the felicitation programme, Governor Shri Kataria congratulated team IIT-G and said, "It is a proud moment for IIT Guwahati as well as for the people of Assam".The Governor said that IIT Guwahati has presented an ideal ambience for teaching, learning and cutting-edge research and development activities, fostering an ecosystem of academic excellence and top-notch technical education in the entire country.

# Virat Kohli, Rohit Sharma announces retirement from T20 cricket



RB News: India captain Rohit Sharma announced that he was retiring from T20 international cricket after winning the World Cup in Saturday's final against South Africa. Rohit said he would continue for India in the Test and ODI formats but was stepping back from the shortest format. Rohit's announcement came shortly after his teammate Virat Kohli also announced his retirement from T20 cricket for India. "No better time to say goodbye," Rohit said during the post-match press conference as he celebrated India's historic second T20 World Cup title. The decision marks a fitting end to Rohit's T20I career, as he began it with a World Cup win and concluded it with another.

# India record highest total in women's Test cricket history

RB News: India have recorded the highest total in women's Test cricket history. India declared their first innings against South Africa in the one-off Test in Chennai at 603/6 to set the record. Shafali Verma top-scored for India with 205(197). The previous record for the highest total was held by Australia, who scored 575/9d against South Africa in February.

# Shafali Verma becomes fastest female batter to score 200 in Tests



RB News: India wome batter Shafali Verma achieved a historic milestone in the ongoing One-Off Test match against South Africa Women in Chennai on Friday. She became the fastest batter to score a double century, achieving the feat in just 194 balls. Interestingly, Shafali Verma is the first batter to score a double century in under 200 balls in Women's Tests.

# দৰঙত জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা পৰ্যালোচনা সমিতিৰ সভা



ৰঙিলী বাৰ্ত্তাসেৱা- দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত ২৮ জুনত জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেৰ সভাপতিত্বত জিলা পৰ্যালোচনা সমিতিৰ (ডিষ্ট্ৰিক্ট কনছালটেটিভ কমিটি) সভা অনুষ্ঠিত হয়। সভাত দৰঙৰ অগ্ৰণী বেংক কাৰ্যালয়ে প্ৰস্তুত কৰা বাৰ্ষিক ঋণ পৰিকল্পনা, ২০২৪-২৫ উন্মোচন কৰা হয়। সভাত ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে কয় যে জনসাধাৰণৰ সামূহিক কল্যাণ তথা সামাজিক নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে প্ৰধানমন্ত্ৰীৰ জীৱন জ্যোতি বীমা যোজনা, প্ৰধানমন্ত্ৰীৰ সুৰক্ষা বীমা যোজনা, অটল পেঞ্চন যোজনা, প্ৰধানমন্ত্ৰীৰ জন-ধন যোজনা আদি আঁচনি গ্ৰহণ কৰিছে। সেইদৰে প্ৰধানমন্ত্ৰীৰ নিয়োগ নিশ্চিত কৰণ আঁচনি (পি এম ই জি পি), পি এম এফ এম ই, কৃষি আন্তঃগাথঁনি পুঁজি আদি বিভিন্ন আঁচনিৰ লগতে পশুপালন, মীনপালন, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ ক্ষেত্ৰৰ বাবে বিভিন্ন ঋণ প্ৰদানৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এই সকলো ক্ষেত্ৰতে বেংকে বিধি অনুসৰি ঋণ প্ৰদান কৰিলে জিলাখনৰ সংশ্লিষ্ট ক্ষেত্ৰসমূহে ইপ্সিত উন্নয়ন লাভ কৰিব। এইক্ষেত্ৰত দায়বদ্ধতাৰে কাম কৰিবলৈ তেওঁ বেংকসমূহৰ প্ৰতি আহ্বান জনায়। সভাত দৰঙৰ অগ্ৰণী বেংক প্ৰবন্ধক কিশোৰী ৰামৰ উপস্থিতিত বিভিন্ন বেংকসমূহে উল্লেখিত আঁচনিসমূহ ৰূপায়নৰ ক্ষেত্ৰত লাভ কৰা বিত্তীয় অগ্ৰগতিৰ সূচ্যাংকৰ বিষয়ে পৰ্যালোচনা কৰা হয়। সভাত নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধক গৌৰৱ ভট্টাচাৰ্যই ২০২৪-২৫ বৰ্ষৰ বাবে প'টেনচিয়েল লিংক ক্ৰেডিট প্লেন(পি এল এ) উন্মোচনৰ সৈতে সংগতি ৰাখি জিলাখনত ঋণৰ স্ৰোতৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। উল্লেখ্য যে সভাত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰতিনিধি, জিলাখনত থকা বিভিন্ন বেংক তথা বিত্তীয় প্ৰতিষ্ঠানৰ শাখাসমূহৰ প্ৰতিনিধি বিষয়াৰ লগতে কৃষি, পশুপালন, মীনপালন, উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, আৰছেটি দৰং আদি ভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ মূৰব্বী বিষয়াসকল উপস্থিত থাকে।

অসম চৰকাৰ

# দেশভক্ত তৰুণৰাম ফুকনৰ সোঁৱৰণত



দেশভক্ত তৰুণৰাম ফুকন
২২ জানুৱাৰী ১৮৭৭-২৮ জুলাই ১৯৩৯



## ৰাজ্যিক পৰ্যায়ৰ ৰচনা প্ৰতিযোগিতা

| শাখা | শ্ৰেণী | ৰচনাৰ বিষয় | শব্দৰ সৰ্বোচ্চ সীমা |
|---|---|---|---|
| ক | ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ | 'তৰুণৰাম ফুকন: জীৱন আৰু কৃতিত্ব' | ৮০০ |
| খ | নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ | 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত তৰুণৰাম ফুকনৰ ভূমিকা' | ১০০০ |
| গ | স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰী | 'অসমীয়া সাহিত্যলৈ তৰুণৰাম ফুকনৰ অৱদান' | ১২০০ |

ৰচনা লিখাৰ মাধ্যম– অসমীয়া, ইংৰাজী, হিন্দী, বাংলা, বড়ো

JANASANYOG- 324/24/30-June-24

- বিভিন্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে লিখা শ্ৰেষ্ঠ ৰচনাসমূহ প্ৰতিখন বিদ্যালয়/মহাবিদ্যালয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত জমা দিব লাগিব। জমা দিয়াৰ শেষ তাৰিখ ৩০ জুন, ২০২৪।
- ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিগতভাৱে জমা দিয়া ৰচনাসমূহ জিলা আয়ুক্তৰ কাৰ্যালয়ত গ্ৰহণ কৰা নহ'ব।

ৰাজ্যিক পৰ্যায়ৰ এই প্ৰতিযোগিতাখনৰ বিজয়ীসকলক অহা ২৮ জুলাই, ২০২৪ তাৰিখে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা 'দেশভক্তি দিৱস'ত সম্বৰ্দ্ধনা জনোৱা হ'ব আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

প্ৰতিটো শাখাতে বিজয়ীসকলক প্ৰদান কৰিবলগীয়া নগদ ধনৰ পুৰস্কাৰসমূহ

প্ৰথম পুৰস্কাৰ ৫০,০০০ টকা
দ্বিতীয় পুৰস্কাৰ ৩০,০০০ টকা
তৃতীয় পুৰস্কাৰ ২০,০০০ টকা

★ প্ৰতিটো ভাষাৰ বাবে প্ৰতিটো শাখাত ১০,০০০ টকাৰ বিশেষ পুৰস্কাৰ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam diprassam.gov.in

অসম বাৰ্তা হোৱাটছএপত পাবলৈ 7 ... ত Assam লিখি হোৱাটছএপ কৰক

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286